Assam
Legislative Assembly
Debates

OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

VOL. I

No. 5

The 25th March 1983

1985

PRINTED AT THE ASSAM GOVERNMENT PRESS,

GUWAHATI

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1983

(First Session)

Volume—I

No. 5

Dated the 25th March, 1983

Contents

		Page
1.	Election of Deputy Speaker	165—166
2.	Debate on Governor's Address	167—183
3.	Adjournment	183

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the seventh General Election under Sovereign Democratic Rebublican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday the 25th March, 1983 with the Hon. Speaker in the Chair, 12 (twelve) Ministers, 1(one) Minister of State, and 92 (ninety two) Members present.

Mr. SPEAKER : I take up item No. 1, that is, election of Deputy Speaker. There are two valid nomination papers submitted and I shall read out the particulars of the nomination as required under sub-rule 5 of Rule 8 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. All the nomination papers are in favour of same member, Shri Nabin Chandra Kathhazarika.

Nomination paper No. 1—proposed by Shri Harendra Nath Talukdar and seconded by Shri Abdul Muhib Mazumdar.

Nomination paper No. 2—proposed by Shri Tankeswar Dehingia and seconded by Shri Mukut Sarma.

As there is only one member nominated for the office of the Deputy Speaker I have much pleasure in declaring Shri Nabin Chandra Kath Hazarika to have been duly elected to the post of Deputy Speaker in this House (applause)........

Now, I, request Shri Nabin Chandra Kath Hazarika to occupy the seat of the Deputy Speaker.

(Deputy Speaker occupies the Seat).

শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি আজি উপাধ্যক্ষ হিচাবে শ্ৰীযুত নবীন চন্দ্ৰ কাঠহাজৰিকা ডাঙৰীয়াক নিৰ্বাচিত কৰিছো। তেখেত এজন আজীৱন সমাজকৰ্মী। তেখেতৰ পৰিয়ালৰ আমাৰ দেশ স্বাধীন কৰাত যথেষ্ট ত্যাগ আছে। ১৯২১ চনৰ আইন অমান্য আন্দোলনত তেখেতৰ দেউতাক আৰু ককায়েক সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু দুয়ো কাৰাবৰণ কৰিছিল। তেখেত সেই পৰিয়ালৰে ব্যক্তি। তেখেত অকল ৰাজনৈতিক কৰ্মীয়েই নহয়। দৰং জিলাত যিমান বিলাক সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান আছে সেই আটাইবিলাকতে তেখেতৰ বৰঙণি কোনেও নুই কৰিব নোৱাৰে। তেখেত সাহিত্যিক। কবিতা লিখে, গীত ৰচে, নাটক ৰচনা কৰে। তেখেতে লিখা কবিতা, গীত-নাট কেবাঠাইতো পৰিবেশিত হৈছে আৰু আকাশবাণীতো তেখেতে লিখা কবিতা, তেখেতে ৰচা গীত আৰু নাট পৰিবেশিত হয়। তেখেত এজন ৰাজনৈতিক আৰু সাহিত্যিক, তেখেতক আমি সদনৰ উপাধ্যক্ষ হিচাবে পাইছো। আমাৰ ৰাজ্যখনত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত যেতিয়া ইন্দিৰা কংগ্ৰেছৰ জন্ম হয় তেতিয়াৰে পৰা তেখেত এই দলৰ অনন্য কৰ্মী। তেখেত তেজপুৰৰ জিলা কংগ্ৰেছৰ সভাপতি হিচাবে এতিয়ালৈকে আছে। তেখেত এতিয়া বিধান সভাৰ উপাধ্যক্ষ হিচাবে নিৰপেক্ষ ভূমিকা লব লাগিব আৰু আমিও আশা কৰো সদনৰ নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিব। মই আমাৰ পবিত্ৰ সদনৰ ফালৰ পৰা আমাৰ দলৰ ফালৰ পৰা সম্পূৰ্ণ প্ৰতিশ্ৰুতি দিছো যে এই পবিত্ৰ আইন-শৃংখলা মানি চলিম, সদনৰ যিটো দায়িত্ব আৰু সুনাম আছে তাক ৰক্ষা কৰিম আৰু তেখেতৰ উপাধ্যক্ষ হিচাবে সুনাম ৰাখিব বুলি মোৰ দৃঢ় বিশ্বাস।

শ্ৰীহেমেন দাসঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমি শ্ৰীনবীন চন্দ্ৰ কাঠহাৰ্জাৰিকা ডাঙৰীয়াক এই পবিত্ৰ সদনৰ বিনা প্ৰতিদ্বন্দিতাৰে অৰ্থাৎ সৰ্ব্বসম্মতভাৱে উপাধ্যক্ষ নিৰ্ব্বাচিত হোৱাত আমি আমাৰ ফালৰ পৰা আনন্দিত হৈছো। তেখেতক মই ব্যক্তিগত ভাৱে আৰু আমাৰ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনাইছো। তেখেত এজন অভিজ্ঞ ৰাজনৈতিক ব্যক্তি। তেখেতৰ ওপৰত অৰ্পিত গুৰু দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ সমৰ্থ হব বুলি আমি বিশ্বাস ৰাখিছো। তেখেতৰ এই দায়িত্ব পালনৰ ক্ষেত্ৰত আমি আমাৰ ফালৰ পৰা শলাগৰ শৰাই আগবঢ়াইছো আৰু আশা ৰাখিছো যে তেখেতৰ পৰা সদনৰ সকলো কামকাজ নিৰপেক্ষ ভাৱে পাম। তেখেতক পুনৰ বাৰ অভিনন্দন জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীআব্দুচ শোভানঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আমি কাথহাৰ্জাৰিকা ডাঙৰীয়াক সদনৰ উপাধ্যক্ষ হিচাবে পাই সচাঁকৈ মই আনন্দিত হৈছো। তেখেতক মই ব্যক্তিগত ভাৱে জানো আৰু মোৰ এইটো প্ৰিভিলেজ আছিল যে ১৯৭৮ চনত যেতিয়া কংগ্ৰেছ আইৰ জন্ম হয় সেই সুযোগত মই তেখেতৰ লগত তেজপুৰ জিলাৰ বহুত ঠাইত ভ্ৰমণ কৰিছিলো, মেল মিটিং কৰিছিলো, তেখেতৰ ঘৰলৈও গৈছিলো। গতিকে তেখেতক মই ব্যক্তিগত হিচাবে যিখিনি জানো তেখেত এজন সাহিত্যিক। গীত কবিতা আৰু নাটক লিখে। ইফালে ৰাজনৈতিক কৰ্ম্মী, ইফালে সমাজ কৰ্ম্মী। সকলো ফালৰ পৰাই তেখেতক কামে-কাজে দেখিছো আৰু মোৰ এইটো বিশ্বাস যে তেখেতৰ নিচিনা স্বনামধন্য ব্যক্তি এগৰাকীক আমি উপাধ্যক্ষ হিচাবে পোৱাটো আমাৰ পবিত্ৰ সদনৰ গৌৰৱৰ বিষয়। মই আশা ৰাখিছো তেখেত উপাধ্যক্ষ হিচাবে যি কেইবছৰ বা যি কেইদিন থাকে মাননীয় সদস্য সকলৰ প্ৰতি সম্পূৰ্ণ নজৰ ৰাখিব, এই পবিত্ৰ সদনৰ সুনাম অক্ষুন্ন ৰাখিব। সৰ্ব্বশেষত তেখেতৰ দীৰ্ঘ জীৱন কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীনবীন চন্দ্ৰ কাথহাৰ্জাৰিকা, উপাধ্যক্ষঃ পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়, সম্মানিত সহকৰ্ম্মী সদস্যবৃন্দ, মই ইয়ালৈ আহি অনুভৱ কৰিছো যে আজি আপোনাসৱে যি মহান দায়িত্ব দিলে সেই মহান দায়িত্ব পালন কৰিবৰ কাৰণে আমাৰ পিতৃ পুৰুষসকলে আশীৰ্বাদ কৰক। তেখেতসকলে বহুত আশা কৰি গৈছে। আমাৰ সকলোৰে পিতৃপুৰুষ সকলে সদনৰ সদস্যসকলৰ ওপৰত বহুত আশা কৰিছে। ৰাইজে বহুত আশা কৰিছে। মই ব্যক্তিগত ভাৱে অতি সাধাৰণ মানুহ। মোৰ ওপৰত যি মহান দায়িত্ব আজি আপোনালোকে অৰ্পণ কৰিছে সেই দায়িত্ব পালনৰ ভাৰ আপোনাসৱৰ ওপৰত।

ৰাইজে বহু আশা কৰিছে আমাৰ পৰা আৰু আগৰ আমাৰ যিসকল মহান নেতা আছিল সেই সকলৰ আদৰ্শৰে মহান দায়িত্ব আমি পালন কৰিব লাগিব। মই নিজে কি কৰিম? আপোনালোকে মোক যিমতে পৰিচালনা কৰিব মই সেইমতে মই পৰিচালিত হম। পানী যি পাত্ৰতেই থোৱা হয় সেই পাত্ৰৰেই আকাৰ ধাৰণ কৰে। ঠিক সেইদৰে আপোনালোকে মোক যেনে ভাবে পৰিচালিত কৰিব সেই ভাবেই পৰিচালিত হম। যেনেকৈ কচুপাতৰ পানী বতাহ মাৰিলে পৰি যায় ঠিক মোৰো একেই অৱস্থা। সেই বতাহজাক অনানিয়া ভাৰ আপোনালোকৰেই। অৱশ্যে মই প্ৰতিশ্ৰুতি দিওঁ যে মই নিৰপেক্ষ হৈ সংবিধানৰ প্ৰতিটো দায়িত্ব পালন কৰি যাম। মাননীয় মন্ত্ৰী বংপী ডাঙৰীয়া আৰু বসুমতাৰী ডাঙৰীয়াৰ সৈতে গহপুৰলৈ গৈ তাৰ পাৰিপাৰ্শ্বিক অৱস্থা দেখি চকুপানী পৰি গল। এনে অৱস্থাত মাননীয় সদস্য সকলে সংবিধানীক দায়িত্ব পালন কৰি ৰাইজৰ দুখকষ্ট লাঘৱ কৰি পাৰিপাৰ্শ্বিক অৱস্থাটো ভাললৈ আনিবলৈ চেষ্টা কৰাৰ কাৰণে আৰু মাননীয় সদস্য সকলে মোৰ ওপৰত এই উপাধ্যক্ষৰ দায়িত্ব-ভাৰ দিয়াৰ কাৰণে তেখেত সকলক মই ধন্যবাদ জনাইছোঁ আৰু অভিনন্দন জনাইছো। শেষত মহাপুৰুষ মাধৱদেৱৰ নামঘোষাৰ এঘাকি পদেৰে কওঁ—

নাজানোহো আৱাহন নাজানোহো বিসৰ্জন
পুজা মন্ত্ৰ নাজানো কিঞ্চিত।
এতেকে পৰমেশ্বৰ দাস ভৈলো চৰণৰ
মোৰ গতি সাধিবে উচিত।।

মোৰ এই গতি আপোনালোকে প্ৰদান কৰিব। শেষত সকলোৰে শতায়ু কামনা কৰি ৰাইজৰ আশীৰ্বাদ লৈ মোৰ দায়িত্ব পালন কৰিব পাৰিম বুলি আশা প্ৰকাশ কৰিছো।

*শ্ৰীজয়নাল আবেদিন ঃ—মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীমজুমদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱটোৰ সমৰ্থন জনাইছো। অধ্যক্ষ মহোদয় মোক মাত্ৰ দহ মিনিটমান সময়হে দয়া হৈছে। সেই অলপ সময়ৰ ভিতৰত মোৰ বক্তব্য শেষ কৰিব লাগিব। ইয়াৰ ভিতৰত মোৰ বক্তব্য আৰম্ভ কৰাৰ আগতে অসমৰ বিভিন্ন অঞ্চলত হোৱা হিংসাত্মক কাৰ্য্যৰ বলী হৈ মৃত্যুবৰণ কৰিবলগীয়া হৈছে সেই সকলৰ আত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে সুঁৱৰিছো। আৰু সেই সকলৰ আৰু যিসকলে গণতন্ত্ৰৰ প্ৰতি গভীৰ আস্থা ৰাখি ভোট দান কৰি অকুণ্ঠ সহযোগীতাৰে সংবিধানীক দায়িত্ব আৰু আইন সভাত সাহসীকতাৰে আমাক সংবিধানৰ দায়িত্ব পালন কৰিবলৈ এই সদনত সুবিধা দিলে তেওঁলোকলৈ মই শ্ৰদ্ধা জনাইছো। মাননীয় অধ্যক্ষ মহোদয় যোৱা ৪ দিন ধৰি মাননীয় সদস্য সকলে এই সদনত তেখেত সকলৰ বক্তব্য ডাঙি ধৰাত কেইটামান বিষয়ে প্ৰকাশ পাইছে। তাৰ ভিতৰত যোৱা নিৰ্বাচন প্ৰস্তুতিৰ পৰা আৰম্ভ কৰি অসমৰ বিভিন্ন অঞ্চলত যি নাৰকীয় হিংসাত্মক ঘটনা সংঘটিত হল সেই ঘটনাৰ আলমলৈ যিবিলাক অভিব্যক্তি ডাঙি ধৰা হৈছে আৰু তাৰ দ্বাৰা পৰিস্থিতিৰ কেনেকৈ শাম কাটিব পাৰি সেই অভিব্যক্তি প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয় ইয়াৰ পূৰ্বে আমি অনেক ঘটনা দেখিছো। এলাহাবাদৰ ৰায়তৰ ঘটনা শুনিছো, জালিয়ানা বাগৰ হত্যাকান্ত কিতাপত পঢ়িছো কিন্তু এনেধৰণৰ অমানুষিক হত্যাকাণ্ড কোনোদিন দেখা নাই, মানুহে যে মানুহক এনেকৈ মাৰিব পাৰে, কাটিব পাৰে সেইটো কল্পনাৰো অতীত। মানুহ যদি দানব নহয় তেতিয়াহলে এনেকুৱা হত্যাকাণ্ড ঘটাব নোৱাৰে। দুবছৰীয়া শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ মানুহকো হত্যা কৰা হল। ইণ্ডিয়া টুডে মেগাজিনত বা বিভিন্ন স্থানীয় আৰু দেশৰ বাৰ্তাৰি কাকত বিলাকত যি বিলাক ফটো প্ৰচাৰ হৈছে সেই বিলাক দেখিলে অনুমান হয় কোনো বিবেকপূৰ্ণ মানুহে এনে কাৰ্য্য কৰিব নোৱাৰে। সেই বিলাক দেখি ৰাতি টোপনি নোহোৱা হল, সেই বিলাক যেন একোটা নাইট মেয়াৰ হৈ পৰিছে। এই বিষয়ে যোৱা চাৰি দিন ধৰি সদনত আলোচনা হৈছে। সেই বিষয়ে মই পুনৰ উক্তি কৰিব বিচৰা নাই। অসমত যি অস্থিৰ অৱস্থা সৃষ্টি হল বিভিন্নভাষাভাষীৰ, গোষ্ঠীৰ মাজত বুজাবুজিৰ অভাব হল, সাম্প্ৰদায়িক অশান্তি হল তাক পুনৰ ঘূৰাই আনি শান্তি সম্প্ৰিতী প্ৰতিষ্ঠা কৰিবৰ কাৰণে সকলো ঐক্য বদ্ধ হৈ আগ বাঢ়িব লাগিব। এতিয়া সেই অশান্তি সৃষ্টি হোৱা ঠাই সমূহত শান্তি শৃংখলা ফিৰাই আনি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ কাৰণে টপমোষ্ট প্ৰায়ৰিটি দিব লাগে। আৰু এই ক্ষেত্ৰত কেনেভাৱে আগবাঢ়িব লাগিব তাৰে কেইটামান পৰামৰ্শ মই মাননীয় মূখ্যমন্ত্ৰীক দিব বিচাৰিছো।

সেই হিচাবে মই আপোনাৰ মাজেদি মূখ্য মন্ত্ৰী মহোদয়ক কেইটামান পৰামৰ্শ দিওঁ।

(১) বিভিন্ন জনগোষ্ঠীৰ পাৰ্টিৰ বিধায়ক আৰু সমাজৰ মুখীয়াল সকলক লৈ পিচ মিচন গঠণ কৰি অশান্তি অঞ্চল সমূহ ভ্ৰমণ কৰি শান্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টা কৰিব লাগে।

(২) বিদেশী বহিস্কাৰ সমস্যাটো যদি বিদেশী থাকে তাক সোনকালে সমাধা কৰিব লাগে।

(৩) চৰকাৰে দৃঢ়হস্তে হিংসাত্মক ঘটনাত জড়িত লোক সকলক উলিয়াই তেখেত সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(৪) নিৰ্বাচনৰ কামত নিৰ্দেশ থকা স্বত্বেও অসহযোগ কৰা আৰু যোগ নিদিয়া কৰ্মচাৰী—বিষয়া সকলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লব লাগে।

(৫) হিংসাত্মক ঘটনাত ক্ষতিগ্ৰস্ত আৰু গৃহহাৰা মানুহবোৰৰ যুদ্ধকালীন তৎপৰতাৰে নিৰাপত্তাৰ ব্যৱস্থা সহ পুনৰ বাসনৰ ব্যৱস্থা কৰিব লাগে।

---

*Speech not corrected.

(৬) চৰকাৰী সকলো বিভাগতে ৰন্ধ্ৰে ৰন্ধ্ৰে সোমোৱা কৰাপশ্যন দূৰ কৰি ৰাইজৰ বিশ্বাস ঘূৰাই অনাৰ ব্যৱস্থা কৰিব লাগে।

(৭) ক্ষতিগ্ৰস্ত কৃষক পৰিয়াল বৰ্গলৈ বিনামূলীয়া সাৰ, বীজ আদিৰ ব্যৱস্থা তুৰন্তে কৰিব লাগে।

(৮) চৰকাৰী বিভিন্ন বিভাগত নিযুক্তিৰ ক্ষেত্ৰত পপুলেশ্যন পেৰ্টানত নিযুক্তি দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, শেষত মই কেইটামান কথা কব বিছাৰিছোঁ। মাননীয় সদস্য শ্ৰীৰহমান ডাঙৰীয়াই নিৰ্বাচনৰ ক্ষেত্ৰত যি কেইটা বক্তব্য দাঙি ধৰিছে মই দৃঢ়ভাবে তাৰ বিৰোধীতা কৰিছোঁ। মাননীয় সদস্য জনে কৈছে যে আমাৰ প্ৰধান মন্ত্ৰীয়ে পাৰ্টিৰ খাতিৰত বছা বছা কেইটামান এলেকাত নিৰ্বাচন চক্ৰ কৰিলে। তেখেতে এইটো উদ্দেশ্যমূলকক কৈছে। কিয়নো প্ৰধান মন্ত্ৰীয়ে ১২৬ টা সমষ্টি লৈ যোৱাটো অসম্ভৱ। তেখেত আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰৰ এলেকালৈ যোৱা নাই বৰ্ত্তমান ৰাজহ মন্ত্ৰীৰ সমষ্টিলৈ যোৱা নাই, মুখ্যমন্ত্ৰীৰ সমষ্টিলৈ যোৱা নাই। তেখেত কাছাৰলৈ গৈছে আৰু গুৱাহাটীলৈও আহিছে আৰু প্ৰচাৰ অভিযান চলাইছে।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ কেতিয়াও ইতিহাস হব নোৱাৰে। বহুতো মাননীয় সদস্যই বিশেষকৈ সদস্য সকলে ৰাজ্যপালৰ ভাষণত সকলো কথা সন্নিবিষ্ট হোৱা নাই বুলি কৈছে। মই ভাবোঁ ৰাজ্যপালৰ ভাষণত বহুতো আদৰ্শৰ কথা উল্লেখ কৰিছে সেই ভাষণত চৰকাৰী যিবিলাক আঁচনিৰ কথা উল্লেখ কৰিছে সেই সকলো কথা উল্লেখ কৰা সম্ভৱ নহয়। তেখেতে ক্ষমতা বিকেন্দ্ৰীকৰণৰ কথাও উল্লেখ কৰিছে। এই ক্ষেত্ৰত মই কেইটামান কথা কব বিছাৰিছোঁ। পঞ্চায়ত অনুষ্ঠানৰ যি অৱস্থা অসমত চলি আছে সেই বিলাক পুনৰ জীৱিত কৰিবলৈ হলে চৰকাৰে দৃঢ় সিধান্ত লব লাগিব। যোৱা ছয় বছৰে মই পঞ্চায়তৰ লগত জড়িত হৈ আছোঁ। মাননীয় সদস্য সকলে জানে যে পঞ্চায়ত তথা মহকুমা পৰিষদত কাম কৰা কৰ্মচাৰী সকলে তিনি মাহৰ পৰা দেৰ বছৰলৈকে দৰমহা নেপায়। ক্ষমতা হস্তান্তৰ কৰাৰ কথা আছে কিন্তু কৰা হোৱা নাই। এই ক্ষমতা হস্তান্তৰ কৰিব লাগিব আৰু যথেষ্ঠ পুঁজি গ্ৰান্ট ইন এইদ হিচাবে দিব লাগিব।

Mr. SPEAKER : It will be vey difficult to close in time. The is also reply from the Hon'ble Chef Minister. I am to fix the time.

শ্ৰীজয়নাল আবেদিন :—অসমৰ বিভিন্ন জিলাৰ তুলনাৰ গোৱালপাৰা জিলাত একো উন্নয়ণমূলক অনুষ্ঠান গঢ়ি উঠা নাই। যাৰ কাৰণে গোৱালপাৰা জিলাৰ লৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত একো সুযোগ পোৱা নাই। গোৱালপাৰা জিলাত বিশেষকৈ ধুবুৰীত ইঞ্জিনিয়াৰিং কলেজ নাই, পলিটেকনিকেল কলেজ নাই আৰু মেডিকেল কলেজ নাই। বৰ্ত্তমান অৱস্থাত গুৱাহাটীলৈ আহি পঢ়িলে ভৰ্ত্সণা কৰা হয়। মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাঁও যাতে তেখেতে এই দিশত বিশেষ দৃষ্টি ৰাখে।

এই খিনিকে কৈ মই ৰাজ্যপালৰ ভাষণৰ পূৰ্ণ সমৰ্থন জনাঁও আৰু বিৰোধী পক্ষৰ বন্ধু সকলকো এই ক্ষেত্ৰত সমৰ্থন জনাবৰ কাৰণে আবেদন জনাই সামৰণি মাৰিছোঁ।

*শ্ৰীদীপক মুৰ্ম্ম : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত মাননীয় সদস্য শ্ৰীমজুমদাৰ ডাঙৰীয়াই দাঙি ধৰা ধন্যবাদ প্ৰস্তাৱটোৰ সমৰ্থনত মই দুআষাৰ কবৰ কাৰণে আগবাঢ়িছোঁ।

*Speech not corrected.

অধ্যক্ষ মহোদয়, আগৰ ৰাজ্যপালৰ ভাষণত গতানুগতিক ভাবে যি কথা আমি দেখিবলৈ পাওঁ এইবাৰ তেনে কথা আমি দেখিবলৈ পোৱা নাই। এই বাৰ ৰাজ্যপালৰ ভাষণত কিছুমান নতুন কথা আমি দেখিবলৈ পাইছোঁ। অধ্যক্ষ মহোদয়, আপুনি জানে যে আজি অসমত বসবাস কৰা ৫০ লাখৰো অধিক চাহবনুৱা সম্প্ৰদায়ৰ লোক অৱহেলিত আৰু উপেক্ষিত হৈ আছে। আজি ইমান দিনে এই সকলৰ উন্নতিৰ কাৰণে একো কৰা নাই। ৰাজ্যপালৰ ভাষণত আমি এটা কথা দেখা পাইছোঁ যে চাহ বনুৱা সকলৰ কাৰণে তেখেতে এটা বেলেগ ডিৰেক্টৰেটৰ কথা কৈছে। আজি আমি যি সকল চাহবনুৱা ইয়ালৈ নিৰ্বাচিত হৈ আহিছো সকলোৱে এই কথাত সন্তোষ পাইছোঁ। কাৰণ আজি ইমান দিনে এই উপেক্ষিত আৰু অৱহেলিক চাহ বনুৱা সকলৰ বিষয়ে এনে সুন্দৰ কথা আন কোনো ৰাজ্যপালে কোৱা নাই। অধ্যক্ষ মহোদয়, এই ৰাজ্যপালৰ ভাষণত বনুৱা সকলৰ কাৰণে কল্যাণমূলক আঁচনি ব্যাপকভাবে অনুষ্ঠিত কৰাৰ কাৰণে বহু সংখক উৎপাদনমূলক আঁচনি আৰু সেৱাৰ প্ৰতিষ্ঠানৰ বিষয়ে তেখেতে কৈছে। তেখেতে নিম্নতম মজুৰি আইনৰ কথাও তেখেতৰ ভাষনত সামৰি লৈছে আৰু এটা কথা তেখেতে ঘোষণা কৰিছে যে দহ বা ততোধিক বনুৱাই কাম কৰিলে সেই অনুষ্ঠানৰ বনুৱা সকলক সেই সুবিধাৰ পৰা বঞ্চিত কৰা নহব। সেই কাৰণে মই বৰ সন্তোষ পাইছোঁ। আৰু এটা কথা তেখেতে কৈছে, সেইটো হৈছে কন্ট্ৰেকট লেবাৰৰ ক্ষেত্ৰত ফাউণ্ডেশ্যন লেবাৰ এক্ট মতে আহত আৰু নিহত বনুৱা সকলক ক্ষতিপূৰণ দিয়া হব। সেই কাৰণেও মই সন্তোষ পাইছোঁ।

মই সেই কাৰণে খুব সন্তোষ পাইছো। শিক্ষা বিভাগৰ শিতানত কব খুজিছো যে চাহ বনুৱাৰ লৰা-ছোৱালীৰ কাৰণে এটা পৃথক সেল সঞ্চালকালয় শিক্ষা বিভাগত হব লাগে। চাহ বনুৱাৰ শিক্ষিত লৰা ছোৱালীৰ কাৰণে চাকৰি-বাকৰিৰ ক্ষেত্ৰত কোটা হব লাগে। অনুসূচীত জাতি আৰু অনুসূচীত জনযাতিৰ কাৰণে যেনেকৈ চাকৰিৰ ক্ষেত্ৰত ৰিজাৰ্ভ কোটাৰ ব্যৱস্থা আছে ঠিক তেনেকৈ চাহ বনুৱাৰ শিক্ষিত লৰা ছোৱালীৰ ক্ষেত্ৰতো ৰিজাৰ্ভ কোটাৰ ব্যৱস্থা কৰিব লাগে। চাহ বনুৱাৰ যি সকল শিক্ষিত লৰা ছোৱালী আছে তেওঁলোকক এচি, এচ আদিত নমিনেচন দিওঁতে অগ্ৰাধিকাৰ দিব লাগে। কাৰণ আপুনি জানে চাহ বাগিচাৰ লৰা ছোৱালী বিলাক মেৰিটিয়াচ নহয়। সেই কাৰণে এই বিষয়ত এটা বিশেষ ব্যৱস্থা হব লাগে। লেণ্ড এলটমেণ্টৰ ক্ষেত্ৰত এটা কথা কব খোজো যে আসাম লেণ্ড ৰেভিনিউ ৰেগুলেচনত যিটো চাৰ্কোলাৰ আছে—অন্যান্য মাটিহীন মানুহক মাটি দিয়াৰ ব্যৱস্থা আছে ঠিক সেই দৰে চাহ বনুৱাৰ ভূমিহীন মানুহক মাটি দিয়াৰ ব্যৱস্থা হব লাগে। এই ক্ষেত্ৰত চাহ বনুৱাৰ মাটি হীন লোক সকলক অগ্ৰাধিকাৰ দিব লাগে।

নিৰ্ব্বাচনৰ সংক্ৰান্তত ঘটা ঘটনা সম্পৰ্কত মাননীয় সদস্য সকলে বহলাই কৈ গৈছে। মই আকৌ সেই একে কথাৰে পুনৰাবৃত্তি কৰিব খোজা নাই। ৰাজ্যপাল মহোদয়ে যিটো উচ্চ পৰ্য্যায়ৰ তদন্তৰ কথা কৈছে তালৈ সমৰ্থন জনাইছো। এই উচ্চ পৰ্য্যায়ৰ তদন্ত হলে ঘটনাৰ লগত জৰিত দুষ্কৃতিকাৰী লোক সকলৰ শাস্তি বিধান হব। মই অতি দুখেৰে সৈতে কব বিচাৰো যে ডুমডুমা অঞ্চলত ১২ জন বনুৱাক হত্যা কৰা হৈছে। মোৰ সমষ্টিৰ ৰাঙলিটিং বাগানত এজন বনুৱাক গুলী কৰি মৰা হৈছে আৰু বনুৱাৰ ঘৰ জলাই দিয়া হৈছে। আজি যেনেকৈ অন্যান্য লোক সকল বাহিৰৰ পৰা আহি অসমীয়া হৈছে ঠিক তেনেকৈ চাহ বনুৱা সকলো বাহিৰৰ পৰা আহি অসমীয়া হৈ গৈছে। নিজৰ ভাষা কৃষ্টি সকলো জলাঞ্জলি দি অসমীয়া ভাষা কৃষ্টি আদৰি লৈছে। বহু কেইজন সদস্যই কৈ গৈছে যে নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰাৰ কাৰণে এই বিলাক শাস্তি ভুগিব লগা হৈছে।

অধ্যক্ষ মহোদয়, এইখিনি কবলৈ সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। ৰাজ্যপালৰ ভাষণ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীবজলদল বাছিত ঃ মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষণের উপর বক্তব্য রাখার জন্য আমাকে সুযোগ দেওয়ার জন্য আমি কৃতজ্ঞতা জ্ঞাপন করছি। রাজ্যপালের ভাষণের উপর মাননীয় সদস্য শ্রীমজুমদার সাহেব যে ধন্যবাদ সূচক প্রস্তাব উৎথাপন করেছেন সেই প্রস্তাবকে আমি আন্তরিক সমর্থন করি এবং এই সম্বন্ধে দুই চারিটি কথা এই সদনে রাখছি।

মহোদয়, আসাম বর্তমানে যে পরিস্থিতি চলছে এতে সমস্ত রাজ্যের বিভিন্ন ভাষাভাষি ও বিভিন্ন ধর্মের প্রত্যেকটি লোকের যে দুরবস্থা হয়ছে তার জন্য আমি আন্তরিক ভাবে দুঃখিত। আসামের প্রত্যেক-জন মানুষের মন আজ এইজন্য ভারক্রান্ত। মহোদয়, আমি আজ বলতে চাই যে এইসব ঘটনার কারণ কি? কেন আজ আমাদের শান্তিপ্রিয় আসাম বাসীদের মনে এই বীভৎস মনোভাব দেখা দিয়েছে? যার ফলে আজ হাজার হাজার নিরপরাধ স্ত্রী পুরুষ ও অসহায় শিশুরা প্রাণ দিচ্ছে? মহোদয়, প্রত্যেকজন জ্ঞানীলোক স্বীকার করেছেন এবং প্রত্যেক ধর্মের গ্রন্থে উল্লেখ আছে যে পৃথিবীর মধ্যে যত জীব-জন্তু আছে তার মধ্যে মানুষ সর্বশ্রেষ্ঠ। কিন্তু মহোদয়, আসামের বিভিন্ন স্থানে, বিভিন্ন গ্রামে যে বিভৎস হত্যালীলা সংগঠিত হয়েছে তা ভাষায় বর্ণণা করা যায়না। নগাঁও জেলার বিভিন্ন স্থানে যে হত্যালীলা হয়েছে—তার থেকে মাতৃগর্ভের শিশুও রেহাই পায়নি। নীরিহ শিশু মহিলা বৃদ্ধ যারা এইসব ঘটনার সংগে কোনও ভাবে যুক্তনয় তারাও রেহাই পায়নি। এই ঘটনা যারা করেছে তারা নিশ্চয়ই কোনও সভ্য জগতের মানুষবলে নিজেকে দাবী করতে পারেনা এবং তারা যে কেন এই কলংকজনক অধ্যায়ের সৃষ্টি করলো—তার কারণ আমি বুঝতে পারিনা।

অধ্যক্ষ মহোদয়, ভারতের মধ্যে আসামই একমাত্র স্থান ছিল যেখানে সরলতা, মানবিকতা প্রভৃতির জন্য তার একটা সুনাম সর্বত্র ছিল। কিন্তু আজ তারা এখন এক কাজে লিপ্ত হয়েছে যা সারা পৃথিবীর ইতিহাসে বিরল। মহোদয়, সংবাদপত্রে দেখলাম লেবাননে যে কিছু লোককে হত্যা করা হয়েছিল তাতে ইজরায়েলের হাত ছিল। মোজাহিদ পেপারে দেখলাম যে তাদের মত হলো যে ইজরায়েলি ছাড়া অন্য লোক যদি মৃত্যু পথে যায় তাকে মরতে দাও। একটি লোক যদি জলে নিমগ্ন হয় আর সে যদি ইহুদে না হয় তাহলে তাকে এমন ভাবে জলে ডুবিয় নাও যাতেসে আর বাঁচিতে নাপারে। এইসব ইহুদিদের জন্য সেদিন লেবাননের তেরশ চৌধশত লোক আশ্রিত অবস্থায় ক্যাম্পেণর মধ্যে নিহত হয়েছে এবং তার প্রতিবাদে ইজরায়েলের প্রায় ৪ লক্ষ মানুষ প্রণেসন অরেছে। যার ফলে মিঃ রেগিনের মতো শক্তিশালী লোক তদন্তের আদেশ দিতে বাধ্য হয়েছিল্যে এবং ডিফেন্স মিনিণ্টারকে পদত্যাগ করতে হয়েছিল। কিন্তু মহোদয়, আসামে আজ হাজার হাজার লোক নিহত, লক্ষ লক্ষ লোক আজ গৃহ-হীন—এই ঘটনা নজর বিহীন। মহোদয়, আমার মনে বার বার এই প্রশ্ন আসে যে কি কারণে আজ আসামের এই অবস্থা হলো? আসু বা গণসংগ্রাম পরিষদ আসামের পরিকো নষ্ট করেছিল সন্দেহ নাই কিন্তু রাইজে থেকে অটল বিহারী বাজপেয়ীর মতো নেতারা এই পরিবেশকে কাজে লাগিয়ে আজ আসামের মানুষকে ভ্রাতৃঘাতি করে তুলেছে। তিনি এক কালেতো ভারতের বিদেশ মন্ত্রী ছিলেন। মন্ত্রী থাকার সময় বাজপেয়ী মহাশয়ের প্রতি আমাদের মনোভাবের একটু পরিবর্তন হয়েছিল। কারণ, তখন তিনি পাকিস্থান, চীন প্রভৃতি দেশ সফর করিয়াছিলেন। বিদেশ মন্ত্রী হিসাবে আমাদের মনে একটা আস্থার ভাব আনতে সমর্থ হয়েছিলেন। কিণ্ও মহোদয়, এহেন ব্যক্তি আসামে এই আন্দোলনের সময় বার বার আসতে থাকেন আর যখনই তিনি আসামে এসেছেন তখনই সেই অঞ্চলে একটা গোলমাল হয়েছে। তাই আমি বলতে চাই যে আসামে যে হত্যাকান্ড ঘটে গেছে তার জন্য আসামের মানুষ তত্তটা দাষি নয়-যতটা দায়ি আসামের রাইরের ক্ষমতাশালী লোক। শুধু তাই নয়, ভারতের রাইরের বহু শক্তি যেমন আমেরিকা, ব্রিটেন প্রভৃতি শক্তিশালী রাষ্ট্র এর মদত দিয়েছে। আজকে অত্যন্ত দুখের সংগে বলতে হচ্ছে যে মানবতার কলংক স্বরূপ এই যে ঘটনা ঘটেছে তার কারণকিতা আমাদের অতি সত্বর বে করতে হবে এবং তার সমাধান করতে হবে। এই বিদেশী সমস্যার সমাধান আমাদের করতে হবে। কেউ কেউ বলেন যে আমাদের রাজ্য ৫৩ লক্ষ বিদেশী আছেন। ত পাগলের প্রলাপ। যাই হোক আমার বক্তব্য হলো

*Speech not corrected.

এই ব্যাপারে সকলের গ্রহণযোগ্য একটা স্থায়ী সমাধান করা দরকার। তবে, এই প্রসংগে মাননীয় সদস্য শ্রী আফজালুর রহমান সাহেব যে বলেছেন যে অবিলম্বে কিছু করা না হলে চরের লোকরা চম্বলের ডাকাতের মতো হয়ে যাবে। আমি কঠোর ভাবে তারা প্রতিবাদ করি কারণ চরের লোকরা কখনো ডাকাতি করেনা। তারা অতি সহজ জীবন যাপন করে। তিনি আরও বলেছেন যে চরের লোকের প্রতি অন্যায় করা হলে তারা স্বতন্ত্র রাজ্যর দাবি করতে পারে। আমি তাকে বলতে চাই—চরের লোকরা বড় কষ্টের মধ্য দিয়ে জীবন যাপন করছে। আমি সরকারের কাছে অনুরোধ করবো এইসব অসহায় লোকদের জন্য যেন অতি সত্বর কিছু করা হয়।

মহোদয়, আমি এখনই শেষ করছি। মহোদয়, চর এলাকার উন্নতি করতে হলে প্রথমে যোগাযোগের ব্যবস্থা করতে হবে। চর এলাকার লোক কোনও দিনই ডাকাত হয়েনা এবং কোনও দিনই তারা স্বতন্ত্র রাজ্যের দাবী করবেনা—এই কথা দৃঢ়ভাবে বলে আমি আমার বক্তব্য শেষ করছি।

* শ্রীচন্দ্রধৰ কলিতা :—মহামান্য অধ্যক্ষ মহোদয়, বৰ্ত্তমান ঘটা পৰিস্থিতিৰ ওপৰত বহুতো কথাই উত্থাপন হৈছে। আমাৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আহিছে তাৰ বিৰোধিতা কৰি মই দুআষাৰমান কব বিচাৰিছো। বহুতো সদস্যই কৈ গৈছে যে ৰাজ্য প্ৰশাসনে বৰ্ত্তমান পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হৈছে। মোৰ মনেৰে তেওঁলোকক বিপথে পৰিচালনা কৰা হৈছে। প্ৰশাসনে আৰম্ভণীৰে পৰা আত্মপ্ৰণোদিত ভাৱে কাম কৰি অসমত জাতি, ভাষা আৰু গোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতিৰে বসবাস কৰি বৃহত অসমীয়া জাতি ধৰ্ম্মৰ এটা যি সুতিত মিলি গৈছিল সেইটো আজি থান-বান হৈ গৈ আছে। আজি আমি এখন বক্তাক্ত অসমৰ চবি দেখিবলৈ পাইছো। তাৰ বাবে ৰাজ্য প্ৰশাসনৰ মুৰববী ৰাজ্যপালো কোনো গুণে নিৰ্দ্দোশী নহয়।

তেখেতে অসমৰ প্ৰশাসনতত যিটো ভূমিকা লৈছে, আৰু অসমত যেনেকৈ ঘটনা ঘটিব লাগিছে তালৈ চাই আমাৰ ধাৰণা হৈছে যেন তেখেতে এখন নাটকত নিবৰ দৰ্শকৰ ভূমিকাহে লৈছে। ঘটনা যিবিলাক ঘটিছে সেই বিলাক চাবলৈ তেখতৰ সময় নাই। মই যিটো এলেকাৰ পৰা আহিছো তাৰ বাসিন্দা শতকৰা ১০০ ভাগেই হিন্দুধৰ্মী আৰু অসমীয়া ভাষী। তাৰ মানুহেও আন্দোলন কৰিছে। আন্দোলনৰ সময়ত যিবিলাক ঘটনা ঘটিছে সেই বিলাক ঘটনাৰ কাৰণে অকল আন্দোলনকাৰী সকলকেই দোষাৰোপ কৰিলে নচলিব। এই আন্দোলনৰ কাৰণে কত কেনেকৈ কি উদ্দেশ্য লৈ মানুহ সোমাই পৰিছে সেই কথা কব নোৱাৰি। বহুত মানুহে যে নিজৰ কাৰণে মুনাফা আদায় কৰিবৰ কাৰণে আন্দোলনত সোমাই পৰিছে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। কিছুমান মানুহ সোমাই পৰিছে চিলিঙত যোৱা মাটি ঘূৰাই পোৱাৰ কাৰণে। কিছুমান ক'লা বেপাৰী কি উদ্দেশ্য লৈ আন্দোলনত সোমাই পৰিছে সেই সকলো বিলাকৰে বিৱৰণ দিবলৈ বৰ্ত্তমান মোৰ হাতত ইমান সময় নাই। মই কব বিচাৰিছো যে আজি অসমৰ যিটো পৰিস্থিতি এই পৰিস্থিতিত সকলোৰেই এটা কথা চিন্তা কৰিব লাগিব যে কেনেকৈ এটা স্বাভাৱিক অৱস্থা ঘূৰাই আনিব পাৰি। এটা স্বাভাৱিক অৱস্থা ঘূৰাই আনিব নোৱাৰিলে এটা জাতি বা এখন দেশৰ যি ভাষা, কৃষ্টি সেই ভাষা কৃষ্টিৰ উন্নতি সাধন কৰিব নোৱাৰি। এজন মাননীয় সদস্যই ৰাজ্যপালৰ কাৰণেই আমি ইয়ালৈ এম এল এ হৈ আহিব পাৰিছো আৰু তাৰ কাৰণেই ধন্যবাদ দিব লাগে বুলি কৈছে। মই ভাবো আমি যিটো পৰিস্থিতিত আহিছো আৰু আজি যিটো পৰিস্থিতিত আছো তালৈ চাই আমি কোনো ৰকমেই ধন্যবাদ দিব নোৱাৰো। আজি চাৰিও ফালৰ পৰাই আমাক ৰক্ষনা বেষ্কন দি থাকিবলগীয়া হৈছে। এই পৰিস্থিতি ধন্যবাদ দিয়াৰ দুৱৰে কথা অত্যন্ত দুখজনক। আজিও পৰিস্থিতি যে ক্ৰমে ক্ৰমে বেয়াৰ ফাললৈ গৈ আছে সেই কথা আমাৰ প্ৰশাসক সকলে নজনা নহয়। এজন মাননীয় সদস্যই কৈছে যে ৰাষ্ট্ৰপতিৰ শাসন এক বছৰৰ বেঁচি

*Speech not corrected.

ৰাখিব নোৱাৰি। এই কথাটো তেখেতে এতিয়াহে জানিলেও আমি অবশ্যে বহুত আগৰে পৰাই জানো। অসমত আন্দোলন চলা আজি ৩ বছৰবো বেচি হৈ গল। এইটো কথা অসম চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে নজনা নহয়। তথাপি সময়ত ব্যৱস্হা লোৱা নহল। আজি অসম থানবান হৈ যাব ধৰিছে। ইয়াৰ প্ৰভাব অকল অসমতেই পৰিছে বুলি কলে ভুল কোৱা হব। সমগ্ৰ ভাৰতবৰ্ষতেই ইয়াৰ প্ৰভাব পৰিছে আজি বিপ্লবৰ দৰবাৰতো অসমৰ বিষয়টো চিন্তাৰ বিষয় হৈ পৰিছে। এই পৰিস্হিটো চম্ভালাৰ কাৰণে চৰকাৰে যিখিনি কৰা দৰকাৰ সেই খিনি কৰাত নিশ্চয় বিফল হৈছে বা ত্ৰুটী হৈছে। এই ক্ষেত্ৰত মই চি পি আইৰ তৰফৰ পৰা কেইটামান পৰামৰ্শ আগ-বঢ়াব খুজিছো।

আজি যি ধৰণৰ পৰিস্হিতি হৈছে এই ধৰণেৰে এই পৰিস্হিতি চলি থাকিবলৈ দিলে অসমীয়া ভাষা বা এটা বৃহত গোষ্ঠী লোপ পাই যাব বিধান সভাৰ আসনত সংখ্যালঘু হৈ পৰিব। সেই কাৰণেই আজি আমি ভাবিললৈ বাধ্য হৈছো যে ইয়াৰ কাৰণে আমাক সাংবিধানিক নিৰাপত্তাৰ প্ৰয়োজন হৈছে। অসমীয়া ভাষা চিৰদিনৰ কাৰণে ৰাজ্যভাষা হৈ থাকিব তাৰ গেৰাণ্টি সন্নিৱিষ্ট থাকিব লাগে আমাৰ মনৰ পৰা চিন্তা আতৰাবৰ কাৰণে আৰু বৃহত অসমীয়া জাতিৰ বিধান সভাত সংখ্যাগৰিষ্ঠতা থাকিবৰ কাৰণে আসন সংৰক্ষন কৰিব লাগে। আৰু অন্যান্য ধৰণৰ যি বিলাক অসমীয়া মানুহৰ মনত সংশয় আছে সেই বিলাক আতৰোৱাৰ কাৰণে চিন্তা কৰিব লাগে। ১৯৮০ চনতেই এটা সিদ্ধান্ত হৈছিল ১৯৭১ চনটোক ভিত্তি বছৰ ধৰি বিদেশী নাগৰিক বহিস্কাৰ কৰিব লাগে আৰু ১৯৭১ চনৰ পৰা ৭৭ চনলৈকে নাগৰিকত্ব দিয়া ব্যৱস্হা কৰিব লাগে। দেশ বিভাজন হোৱাৰ ফলত কিছুমান মানুহৰ থানথিত নোহোৱা হল। কেন্দ্ৰীয় চৰকাৰে সেই সকলক আকোৱালী লৈ যত যেনেকৈ পাৰে থানথিত লগোৱা দিহা কৰিব লাগে। আজি আমাৰ মাজত অসম থানবান হৈ যোৱাৰ কথা ওলাইছে। এই কথা বিলাকেই অসমীয়া মানুহ বিলাকৰ মনত কিছুমান চিন্তা সোমোৱাই দিছে। এই চিন্তা দূৰ কৰাৰ একমাত্ৰ আশ্বাস হব অসমীয়া ভাষা ইয়াত থাকিব আৰু কৃষ্টি সংস্কৃতি ইয়াত থাকিব। অসমীয়া ভাষাৰ লগতে বড়ো ভাষাৰ কথাও চিন্তা কৰিব লাগিব। এই ভাষাকো স্বীকৃত ভাষাৰ মৰ্জদা দিব লাগিব। আৰু অন্যান্য যি বিলাক কোচৰাজবংশী আছে সেই সকলক অনুসূচীত জনজাতি হিচাবে স্বীকৃতি দিব লাগিব। অসমৰ বাহিৰত যত যত এই সকললোক আছে সেই সকলকে একেই মৰ্জদা দিব লাগিব। মোৰ সময়ৰ নাটনি হোৱাৰ কাৰণে মই আৰু বেচি কব নোৱাৰিলো। মই ইমানকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Hon. SPEAKER : Now, hon. member Shri Borgoram Deuri wi speak.

*শ্ৰীবৰ্গৰাম দেউৰীঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীমজুমদাৰ ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ ৰাজ্যপালৰ ভাষণৰ ওপৰত আনিছে তাৰ সমৰ্থনত মই কেইআষাৰ মান কথা কব খুজিছো। আমাৰ বিৰোধী দলৰ সদস্যসকলে কিছুমান অভিযোগ উত্থাপন কৰিছে। মই সেই সন্দৰ্ভত কব বিচাৰিছো যে অসমত অলপতে যিটো হত্যাকাণ্ড হৈ গল সেই সন্দৰ্ভত ইয়াত কিছুমান কথা আলোচনা কৰা হৈছে বিশেষকৈ ধুবুৰীৰ পৰা শদিয়ালৈকে যি অমানুষিক হত্যাকাণ্ড হৈ গল সেইটো আমি পৰ্য্যালোচনা কৰি চাব লাগে। এই পৰ্য্যালোচনাত আমি দেখা পাঁও যে অসমৰ বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত এনে এখন ঠাই নাই যত এই ধৰণৰ ঘটনা হোৱা নাই। আমাৰ লক্ষীমপুৰ জিলাত এনে কিছুমান ঘটনা হৈ গল যি বিলাকৰ প্ৰকাশ কোনো বাৰ্তাৰ কাকত বা বভিষ্যতো নহল। এই বিলাক ঘটনাৰ কথা যদি প্ৰকাশ হলহেতেন তেতিয়াহলে হয়তো এই বিলাক গহপুৰ আৰু নেলীৰ ঘটনাকো চেৰ পেলালেহেতেন। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণৰ পৰা এই কথা কোৱা হৈছে। লক্ষীমপুৰ এখন পিছ পৰা ঠাই বুলিয়েই বোধকৰো এইবিলাক ঘটনাৰ কোনো প্ৰকাশ হোৱা নাই। এই পৰিপ্ৰেক্ষিতত আমাৰ মাননীয় সদস্য কিছুমানে প্ৰশাসনকে দায়ী কৰিব খোজে আৰু যিসকল ইয়াৰ কাৰণে জগৰীয়া সেইসকলৰ ওপৰত শাস্তিমূলক ব্যৱস্হা লব লাগে বুলি কৈছে। যি অসীম ধৈৰ্য্য আৰু সাহসিকতাৰ মাজেদি আমাৰ পুলিচ বাহিনীয়ে দুস্কৃতিকাৰীৰ মাজত সোমাই যেনেকৈ আমাৰ নিৰ্ব্বাচনৰ কাম সমাধা কৰাত সহায় কৰিলে তেনেকুৱা উদাহৰণ পোৱা বিৰল।

---

*Speech not corrected.

আমাৰ তাৰ এটা কথা কব খুজিছো, এজন ডি, চি, চি সাধাৰণ সম্পাদকৰ ভায়েক আৰু এজন অফিচ চেক্ৰেটেৰীক অপহৰণ কৰি নিয়ে। তেওঁলোকক আজিলৈকে পোৱা নগল। প্ৰত্যক্ষদৰ্শীৰ বিবৰণ মতে এজনৰ মূৰকাটি পেলোৱা হৈছে আৰু আন জনক হাত-ভৰি কাটি টুকুৰা টুকুৰা কৈ মাৰি পেলোৱা হৈছে। পুলিচক খবৰ দিয়াত এজন আৰক্ষী চাব্ ইন্সপেক্টৰে লগত ছজন চি, আৰ, পি লৈ যাওঁতে খগাবাৰী বুলি এঠাইত তেওঁলোকক এদল সশস্ত্ৰ লোকে যাৰ হাতত ধেনুকাড়, দীঘল দা, যাঠি-বৰ্চা আদি আছিল, ঘেৰি ধৰিলে। তেওঁলোকক "হেন্দছ্ আপ্" কৰিবলৈ কৈ পুলিছ ইন্সপেক্টৰ জনক কলে যে, তই জানো অসমীয়া মানুহ নহয়? তই আহি আমাৰ লগত যোগ দে। কিন্তু তাকে কৰিবলৈ অমান্তি হোৱাত তেওঁৰ ভৰিত কাড় মাৰি বগৰাই দিলে। তেওঁক সাগৰ নদীত পেলাই মাৰিবলৈ ষড়যন্ত্ৰ কৰিব ধৰিছিল। তেতিয়া তেওঁলোকে ফায়াৰ কৰিলে কিন্তু তাৰ এজন মানুহে তেওঁলোকৰ পিছত যোৱা সুসজ্জিত এদল লোকক "ব্লেক ফায়াৰ কৰিছে, ভয় খাব নেলাগে" বুলি কৈ পলাবলৈ মানা কৰিলে। তাৰ পিছত সৰ্ব্বমুঠ ৬২ ৰাউণ্ড ফায়াৰ কৰাৰ পিছত পুলিছ চি, আৰ, পিৰ দলটো গৈ বাতি পানী গাঁও আউট পোষ্ট পালেগৈ। তেনেকুৱা আমাৰ পুলিচ বাহিনীয়ে কাম কৰিছে। আনফালেদি বিহপুৰিয়া পুলিচ থানাৰ এককিলোমিটাৰ মান ওচৰতে কাচিকটা নামৰ এখন দলং পুৰিবলৈ যোৱা এদল উন্মত্ত লোকৰ ওপৰত চি, আৰ, পিয়ে গুলি চালনা কৰিবলৈ ধৰাত তেওঁলোকৰ লগত থকা পুলিছ ইনস্পেকটৰ জনে চি, আৰ, পিৰ বন্দুক ভৰিৰে গছকি ফায়াৰ কৰিবলৈ লোৱাৰ পৰা বিৰত কৰিছিল। এই ধৰণেৰে যি সকলে এই ছাত্ৰসকলৰ লগ লাগি কাম কৰাত উৎসাহ দিছে সেইসকলৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ চৰকাৰক মই অনুৰোধ কৰিছো। লগতে যি সকলে নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰিছে সেই সকলক পুৰস্কৃত কৰিব লাগে।

আমাৰ ভালেকেইজন মাননীয় সদস্যই ৰাজ্যপালক দোষাৰোপ কৰিছে আৰু আমাৰ ৰাজ্যপাল মহোদয়কো দোষাৰোপ কৰিছে। মই সেই সকলৰ লগত একমত হব নোৱাৰিলো। ৰাজ্যপাল মহোদয়ক দোষ দিয়াৰ আগতে আমি ৰাজ্যখনৰ নিৰ্ব্বাচনৰ পূৰ্ববৰ্ত্তী অৱস্থা কেনে আছিল সেইটো আমি চাব লাগিব। ৰাজ্যপাল মহোদয়ে এটা জলন্ত আগ্নেয়গিৰিৰ ওপৰত বহিব লগীয়া হৈছিল। সেই পুঞ্জীভূত আগ্নেয়গিৰিৰ বিস্ফোৰিত হোৱাৰ পৰিণতিতেই এই অৱস্থাৰ সৃষ্টি হয়।

(মাননীয় অধ্যক্ষই বেল বজায়)

মাননীয় অধ্যক্ষ মহোদয়, মই আৰম্ভ কৰিছিলোহে। আন্দোলনকাৰী সকলে আমাৰ ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰোধে চাহপাত, তেল বাহ-বেত আদি বাহিৰলৈ যাবলৈ নিদি কেতিয়াবাৰে পৰাই বিৰোধীতা কৰি আছিল। অবাধ গতিৰে আন্দোলনকাৰী সকলে চৰকাৰৰ বিৰোধে কাম কৰিছিল। তেওঁলোকে বন্ধ বুলি কলেই বন্ধ, কাৰ্ফিউ বুলি কলেই কাৰ্ফিউ, ঘেৰাও বুলি কলেই ঘেৰাঁও ইত্যাদি। এই বিলাকৰ দ্বাৰা ইয়াকেই বুজা যায় যে, আন্দোলনকাৰী সকলে এটা সমান্তৰাল চৰকাৰহে চলাই আছে। এই চৰকাৰ বিৰাট শক্তিশালী। এই চৰকাৰৰ শক্তিৰ উৎকৰ্ষ কত সেইটো সকলোৱে গম পাইছে। দিছপুৰ বিধায়ক হোষ্টেলৰ আবেষ্টনী ঘেৰাও যি এম, এল, এ সকলৰ পদত্যাগ দাবী কৰিছিল, আৰু ভীত প্ৰদৰ্শন কৰিছিল। তাৰ পৰিণতি স্বৰূপে আজিও নিৰ্বাচন হৈ যোৱাৰ পিছতো বিধায়ক কেইজনমান এম, এল, এ হোষ্টেল এৰিবই পৰা নাই।

Mr. SPEAKER : Now hon'ble member will resume his seat. Ith a been informed in writing also that the time limit is ten minutes. So I will be compelled to stop him because he has already exceeded fifteen minutes.

শ্ৰীবৰ্গৰাম দেউৰী : এই পৰিস্থিতিৰ মাজতে যিবিলাক লৰাক হিংসাত্মক কাৰ্য্যৰ প্ৰশিক্ষন দিয়া হৈছিল সেই প্ৰশিক্ষনকে এতিয়া নিৰ্বাচনৰ সময়ত কাৰ্য্যকৰী কৰিছে। (সময়ৰ সংকেট) সেই পৰিনামৰ কাৰণে অকল ৰাজ্যপালেই দায়ী বুলি নকওঁ। ১৯৮০ চনত যেতিয়া অসমত নিৰ্বাচন অনুষ্ঠিত হৈছিল

(পার্লিয়ামেন্টৰ কাৰণে) ৰেতিয়া সেই নিৰ্ব্বাচন ব্ৰহ্মপুত্ৰ উপত্যকাত কৰিব পৰা নহল। সেই সময়ত বিৰোধী পক্ষৰ চৰকাৰ ক্ষমতাত আছিল। বিভিন্ন ঠাইৰ নিৰ্ব্বাচনৰ প্ৰাৰ্থী সকলক ঘেৰাঁও কৰি ৰখা হৈছিল যাৰ ফলত তেওঁলোকে নিৰ্ব্বাচনৰ কাৰণে নোমিনেচন পেপাৰ দিব নোৱাৰিলে আৰু যাৰ কাৰণে নিৰ্ব্বাচন বাতিল হবলগীয়া হল। তেতিয়া কিন্তু তাৰ কোনো ব্যৱস্থা কৰা নহল। এইবাৰৰ নিৰ্ব্বাচনতো তেওঁলোকে দুগুন উৎসাহেৰে কাম কৰিছিল যাতে নিৰ্ব্বাচনৰ প্ৰাৰ্থী সকলক ঘেৰাঁও কৰি ৰাখিব পাৰে। কিন্তু চৰকাৰৰ শাসন যন্ত্ৰ এইবাৰ শক্তিশালী হোৱা কাৰণে তেওঁলোকৰ সেই উৎসাহক বিতাৰিত কৰিব পাৰিলে। যি সকল প্ৰাৰ্থীয়ে নিৰ্ব্বাচনত নামি জয়যুক্ত হৈ আজি আমি বিধান সভাত বহিছো আমাৰ তৰফৰ পৰা আমি ৰাজ্যপালক ধন্যবাদ জনাইছো। এই ব্যৱস্থা নকৰা হলে ই হয়তো এইবাৰো নিৰ্ব্বাচন অনুষ্ঠিত কৰিব পৰা নগল হেতেন যাৰ ফলত আৰু বেছি দীঘলীয়া আন্দোলন হলে হত্যা-কাণ্ড আৰু বেছিকৈ সংঘটিত হল হেতেন। (সময়ৰ সংকেট) সাংবিধানিক এই সংকট দূৰ কৰা কাৰণে আমি ৰাজ্যপালক ধন্যবাদ জনাইছো। লগতে আমাৰ জনজাতীয় উন্নয়ন আঁচনিৰ কথা কোৱা হৈছে। আমাৰ মজুমদাৰ ডাঙৰীয়াৰ প্ৰস্তাৱৰ ওপৰত গুহপুৰত জনজাতিৰ ওপৰত হত্যাকাণ্ড চলিছে বুলি আন এটা সংশোধনী প্ৰস্তাৱ পি টি চিৰ সদস্য সকলে আনিছে। মই সেই সংশোধনীৰ ওপৰত আৰু সংশোধনী আনিব খুজিছো—আচলতে গুহপুৰত পি টি চিৰ সিদ্ধান্ত কাম জনজাতীয়লোকে ভোট দিয়াৰ সিদ্ধান্ত লৈছে বুলি কোৱা কথাষাৰ ঠিক নহয়। গোটেই অসম জুৰি বৰ্ত্তমান আমাৰ যি নেতৃ শ্ৰীমতী ইন্দিৰা গান্ধীৰ প্ৰগতিশীল আঁচনিক প্ৰতি যি আস্থা সেই আস্থাৰ কাৰণে ট্ৰাইবেল সকলে ভোট দিয়াৰ পোষকতা কৰিছে, গতিকে পি টি চিক ভোট দিয়াৰ সিদ্ধান্ত কৰিছে বুলি থাকিব নালাগে।

(সময়ৰ সংকেট বাৰে বাৰে বজাত আৰু অধ্যক্ষৰ অনুৰোধত সদস্য গৰাকীয়ে আসন গ্ৰহণ কৰে) ৰাজ্যপালৰ ভাষণক সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলে।

শ্ৰীমহম্মদ ইসমাইল হুসেইন: মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষণ শুনে আমি কয়েকটি কথা না বলে পারছি না। উপরে খদ্দেরের কাপড় আর ভিতরে নাইলনের গেঞ্জি পরে নেতা হওয়া যায় না। মাননীয় অধ্যক্ষ মহোদয়, আজকে সমস্ত আসামে মাইনরটির উপর যে অত্যাচার চলছে এবং চলছে। সবাই জানতে পারছে। তাদের সা ক্ষতি হয়েছে, তার সম্পূর্ণ হিসাব করে ক্ষতি পূরণ দিতে আমি সরকারকে অনুরোধ জানাই। যেসবলোক মরেছে তাদের পরিয়ালকে শুধু মাত্র ৫০০০ টকা দিলে চলবেনা। আমাদের বরোয়া কথায় আছে, একটা মানুষের দাম লাখ টকা। গতিকে প্রত্যেক মৃত্যু ব্যক্তির পরিয়াললৈ ১ লাখ টাকা দিতে হয়। সরকারের নিকট আমার আবেদন, এই আন্দোলনকারী, যাহারা মাইন রিটি দের ঘর বাড়ী পুড়িয়েছে এবং মানুষক মেয়েছে তাহাদের বিরুদ্ধে ড্যাসটিক একশন নিতে হবে এবং আর যাহাতে ভাবতে না পারে যে তাহারা ৫০ বছরের ভিতরে এই ধরণের কুকার্য্য করবে। মাননীয় অধ্যক্ষ মহোদয়, বরপেটা পুলিশ বিভগা কি কাজ করছে তার একটা ছবি তুলে ধরতে চাই। বরপেটার নিকটে সরুপেটার নিকটে একটি বাজারে ৫ জন মাইনরিটির লোক মিসিং হয়ে গেল এবং ওদের গাঁওরবুড়া যার ডেড বডি ২ নি পরে দেখা গেল রাস্তার পড়ে আছে। পুলিশ বিভাগ সেহ বিষয়ে কোন তদন্ত করলনা বা কোন একাশন নিল না। মাননীয় অধ্যক্ষ মহোদয়, বড়পেটার নিকট নগাঁও এ মাইনরিটির ২ জন লোক মারা গেল ও বরপেটা জেল খানার নিকটে আরও ১ জন লোককে মারল, কিন্তু পুলিশ তাদের বিরুদ্ধে যারা এই সব করল, কোন ব্যবস্থা নিল না। সমস্ত আসামের মাইনরিটিদের উপরে যে জোর জুলুম, অত্যাচার চলছে, তাদের ঘর-বাড়ী জ্বালানো হয়েছে ও হাজার হাজার লোক মরেছে, তাদের ক্ষতি হয়েছে তার সম্পূর্ণ হিসাব করে ক্ষতিপূরণ দিতে হবে। জনসাধারণ আপনাদেরকি পাঠিয়েছে শুদ্ধ মন্ত্রী বা এম এল এ হওয়ার জন্যে নয়, তাদেরকে নিরাপত্তা দিতে হবে, শুধু রিলিফ দেওয়া সরকার হলে চলবে না। মাননীয় অধ্যক্ষ মহোদয়, আর একটি ঘটনা, একজন অসমীয়া লোক মাইনররিটি এলাকর সান্টারী বরত, আন্দোলনকারীরা বলছে মাইন-রিটির লোকেরা ওকে মেরেছে, কতদুর সত্য জানিনা। কিন্তু পুলিশের লোকেরা কয়েকটি গ্রামে অত্যাচার করেছে, মারধর করেছে, কয়েকজনকে এরেন্ট করেছে ও তাদের ঘর হইতে মূল্যবান জিনিষ

নিয়ে গেছে এবং কবর খোদাই করে দেখেছে। আর একটি ঘটনা, হাউলি কলেজের নিকট ওরাই কারসাজী করে নিজেদের একটা ঘর পুড়িয়েছে এবং ৫ মাইল পর্য্যন্ত পুলিশের দ্বারা অত্যাচার করিয়ে মাইনরিটির উপর দোষ চাপিয়েছে। তাই এই কারণে, আমরা বরপেটার এডিশ্যনেল এম পিকে অনুরোধ করলাম আমাদের মাইনরটি এলাকায় সি আর পি টহলের ব্যবস্থা করার জন্যে, কিন্তু তিনি আমাদের কথার কোন গুরুত্ব দিলেন না। বরংচ তিনি আলাহু আকবর ধনি শুনিলে সহ্য করতে পারেন না। এবং আল্লাহু আকবর বললে গুলি চালনা করবে। কোনো জায়গা থেকে গন্ত গোলের খবর আসালে, থানার অফিসার ইনচারজ বলে থাকেন, রাইফেল, লাঠি সব কিছু নিয়ে চল মিয়া মারতে হবে। মাননীয় অধ্যক্ষ মহোদয়, টাইমুর সরকারের গঠনের কিছুদিন আগে আন্দোলনকারিরা হাউলির মাইনরিটিদের ঘর দুইবার জ্বালিয়ে দিয়েছে, সরকারের নিকট হইতে রিলিফ বাবদ তিনিশ টকা করে পেয়েছে, ওদের কেসটা পুনর্বিবেচনা করার জন্য আমি অনুরোধ করি। একটি উদাহরণ ঃ—একটা পাগলা কুত্তা যদি একজন মানুষকে কামড়ায় ১৪ টা ইনজেকশন নিতে হয়, তাতে ভাল যদি না হয় তাহলে ঐ মানুষটা যাকে কামড়াবে সেও পাগল হবে। গতিকে এই মাইনরটিদেরকে যেন পাগলা কুত্তা বনানো না হয়। এইটুকু বলে আমি আমার বক্তব্য শেষ করছি।

Mr. SPEAKER : Now the Hon'ble Chief Minister will start his

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ—অধ্যক্ষমহোদয়, ব্যক্তিৰ জীৱনৰ নিচিনাকৈ জাতি বা ৰাষ্ট্ৰৰ জীৱনতো কেতিয়াবা এনে একোটা অভূতপূৰ্ব সংকট আহে—যেতিয়া তাৰ সমাধানৰ কাৰণে সকলো গতানুগতিক পন্থা পৰিহাৰ কৰি সম্পূৰ্ণ নতুন পন্থা লবলগীয়া হয়। গতানুগতিক পৰিস্থিতিত চৰকাৰী দলে কিবা এটা প্ৰস্তাৱ কৰে, বিৰোধী দলে তাৰ সমালোচনা কৰি নিজস্ব দৃষ্টিভংগীৰে বিকল্প প্ৰস্তাৱ দাঙি ধৰে। কিন্তু আজি যি বিৰাট সংকটৰ ছাঁয়াত আমি সকলোৱে ইয়াত সমবেত হৈছোঁহি, তাত গতানুগতিক বাদানুবাদৰ কোনো অৱকাশ নাই। ঘৰ এটা নতুনকৈ সাজিবৰ সময়ত বৰ-টোৰ আৰ্হি কেনেকুৱা হোৱা উচিত, সামগ্ৰী কৰ পৰা অনা হব, মিস্ত্ৰী নিয়োগ কৰা হব কাক— এইবোৰ কথা লৈ নানা প্ৰকাৰৰ তৰ্ক বিতৰ্ক আৰু মত পাৰ্থক্য হব পাৰে। কিন্তু ঘৰত যেতিয়া জুই লাগে আৰু বছৰৰ পিছত বছৰ ধৰি তিলে তিলে গঢ়ি তোলা সম্পদ চকুৰ আগতে পুৰি ছাঁই হব ধৰে, তেতিয়া কোনেও নিজৰ ভিতৰতে তৰ্ক কৰি সময়ৰ অপচয় কৰিব নোৱাৰে। সেই মুহূৰ্ত্তত আপোন-পৰ, আলহী গৃহস্থ, হাটৰুৱা-বাটৰুৱা সকলোৱে একমাত্ৰ কৰ্ত্তব্য হব লাগে জুইৰ গ্ৰাসৰ পৰা ঘৰটোক ৰক্ষা কৰাৰ কামত জাপিয়াই পৰা।

অধ্যক্ষ মহোদয়, আজি আমাৰ প্ৰাণৰো অধিক জন্মভূমি অসমৰ ঠিক সেই অৱস্থা। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ পিছৰে পৰা অসমৰ বুৰঞ্জীত এনে সৰ্বনাশী ঘটনা দ্বিতীয় এটা ঘটা নাছিল। হিংসাৰ জুইয়ে সমগ্ৰ অসমক ছাটি ধৰিছে। এই জুইত যে কেৱল হেজাৰ হেজাৰ মানুহ মৰিছে আৰু হেজাৰ হেজাৰ সৰ্বশ্ৰান্ত হৈছে এনে নহয়, এই জুইয়ে পুৰি ছাঁই কৰিব খুজিছে অসমৰ বি ভিন্ন জনগোষ্ঠীৰ মাজত দীৰ্ঘকাল ধৰি গঢ়ি উঠা মিলন আৰু ভাতৃত্বৰ বন্ধন, পুৰি ছাঁই হব খুজিছে আমাৰ সংস্কৃতিৰ মহৎ ঐতিহ্য।

অধ্যক্ষ মহোদয়, যোৱা চাৰিটা দিনত ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কৰ সকলো সময়ত মাননীয় সদস্যবৰ্গই গভীৰ উদ্বেগ প্ৰকাশ কৰি এই সংকটৰ কথাকে কৈছে। এই সংকট কেতবোৰ বিছিন্ন হিংসাত্মক ঘটনাৰ সমষ্টি নহয়। এই সংকট এটা মাহৰ আছুতীয়া ঘটনাও নহয়। যোৱা কেবা বছৰো ধৰি হিংসাৰ বিষাক্ত বায়ুৱে অসমৰ চৌদিশ আৱৰি ধৰিছিল। দুলীয়াজান, যোৰহাট, গুৱাহাটীত ভিন ভিন সময়ত এই হিংসাৰ জুইত চৰকাৰী বিষয়াৰ মৃত্যু ঘটিছিল। নগাঁও আৰু ফটাশীল আম-বাৰীত বোমা বিস্ফোৰণত বহুজন নিহত হৈছিল। তিনি বছৰ আগতেই উত্তৰ কামৰূপৰ নলবাৰীত হিংসাৰ দাবানলে ৭৮ জন নিৰীহ লোকৰ মৃত্যু ঘটাইছিল, অঘৰী কৰিছিল বহুতকে। তিনি বছৰ পূৰ্বে এদিন মোয়ো এই হিংসাৰ সন্মুখীন হৈছিলো যেতিয়া মোৰ ওপৰত হাতবোমা দলিওৱা হৈছিল।

*Speech not corrected.

মই যোৱা তিনি বছৰৰ শোকাবহ ঘটনাৱলীৰ দিনপঞ্জী দিব খোজা নাই। সেই সকলো ঘটনাৰ আকাৰ-প্ৰকাৰ মাননীয় সদস্য সকলৰ অজ্ঞাত নহয়। মই মাথোন কব খুজিছো এই হিংসাৰ জুই প্ৰকাশ্যে অপ্ৰকাশ্যে দীঘ দিন ধৰি জ্বলি আছিল আৰু সেয়ে তাক নুমুৱাবলৈ প্ৰয়োজন সুচিন্তিত প্ৰচেষ্টাৰ। এই সময়ত মাননীয় সদস্যসকলে সমস্তৰে প্ৰকাশ কৰি উদ্বিগ্নতাই আমাক আশ্বস্ত কৰিছে। কিন্তু মই আগতেই কৈছো যে ঘৰত জুই লাগিলে লগোৱাৰ কাৰণে কোন দোষী সেইটো বিচাৰ কৰাৰ বা পৰস্পৰৰ মাজত তৰ্ক কৰাৰ সময় নাথাকে। আগতে জুই নুমুৱাব লাগিব। বাকীবোৰ কথাৰ বিচাৰ কৰিবলৈ বহুতো সময় পোৱা যাব।

অধ্যক্ষ মহোদয়,কোৱা হৈছে যে ১৯৭৯ চনৰ পৰা ১৯৮২ চনৰ ডিচেম্বৰ মাহলৈকে আৰু নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ আগলৈকে এই আন্দোলনৰ হেনো নন্ ভাৱেলেণ্ট আছিল। এই কথাষাৰ সত্য অসত্যৰ ক্ষেত্ৰত কব বিচাৰিছো—সেই কালছোৱাৰ ভিতৰত অৰ্থাত ১৯৭৯ চনৰ পৰা ১৯৮২ চনৰ ডিচেম্বৰ মাহৰ নিৰ্বাচনৰ দিন ঘোষণা কৰালৈকে ২৭২ টা হত্যাকাণ্ড কৰিলে, ১৪০৪ জনক এচাল্ট কৰিলে, ৪২৫টা আৰচন কেচ কৰিলে, ৩৪৬টা ইণ্টিমিদেচন কেচ, ২২৮টা দুস্কৃতি মূলক কাৰ্য্য কৰিলে, ১৪৭টা অপহৰণ, ৩৩০টা বোমা বিস্ফোৰণ ইত্যাদি সংঘটিত কৰিলে আৰু বহুতো বোমা ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। ১৯৮০ চনৰ জানুৱাৰীত দুলীয়াজানৰ এজন প্ৰবীণ বিষয়াক হত্যা কৰা হল। ১৯৮০ চনৰ জানুৱাৰী মাহতেই প্ৰায় ৭৮ জন মানুহেই নিজৰ প্ৰাণ ত্যাগ কৰিলে, উত্তৰ কামৰূপত আৰু নলবাৰীত প্ৰায় দুই হেজাৰ চাৰিশ মানুহক গৃহহীন কৰিলে আনকি ১৯৮০ চনৰ এপ্ৰিল মাহত তেতিয়াৰ মাননীয় সদস্য হিতেশ্বৰ শইকীয়াক বোমা বৰ্ষণ কৰিলে। এই ধৰণে সেই কাল ছোৱাৰ ভিতৰত বিভিন্ন ধৰণৰ হিংসাত্মক কাৰ্য্য সংঘটিত কৰিলে। গুৱাহাটীৰ আৰু আন আন ঠাইৰ ওৱালত পোষ্টাৰ মৰা হৈছে ইন্দিয়ান ডগচ্ লিভ আসাম। এয়া কেৱল বিদেশীৰ প্ৰতি জানো উক্তি ই বহিৰাগতৰ কথাও সূচাইছে।

অধ্যক্ষ মহোদয়, অসমত জ্বলি থকা এই জুইকুৱা আমি দুটা পৰ্য্যায়ত নুমাব লাগিব। প্ৰথমতে আমি হিংসাৰ দাবানলৰ পৰা উদ্ধাৰ কৰিব লাগিব তেজ মঙহৰ সেইবোৰ মানুহক যিসকলে প্ৰিয়জনক হেৰুৱাই জীৱন্ততে মৃতপ্ৰায় হৈছে। যি সকলে সৰ্ব্বস্ব হেৰুৱাইছে। যিমান পৰা যায় সোনকালে তেওঁলোকক স্বাভাৱিক অৱস্থালৈ ঘূৰাই পঠিয়াব লাগিব। তাৰ বাবে প্ৰয়োজন সকলোৰে শুভবুদ্ধিৰ, শুদ্ধ চেতনাৰ, সদিচ্ছাৰ।

অধ্যক্ষ মহোদয়, আপুনি জানে হিংসাত্মক ঘটনাত সৰ্ব্বস্ব হেৰুৱাই তিনিলাখতো অধিক পৰিয়ালে আশ্ৰয় শিবিৰত আশ্ৰয় লৈছিলহি। চৰকাৰী ভাবে তেওঁলোকৰ সাহায্যৰ ব্যৱস্থা কৰা হৈছে। ৰিলিফ মেনুৱেল সংশোধন কৰি ৰেচনৰ মাত্ৰা বঢ়োৱা হৈছে। ব্যৱস্থা কৰা হৈছে তেওঁলোকৰ নিৰাপত্তাৰ। শিবিৰত থকা সকলৰ সাহায্য আদিৰ খা-খবৰ কৰিবলৈ আমাৰ মন্ত্ৰীসকল ক্ষতিগ্ৰস্ত অঞ্চল সমূহলৈ গৈছে। যোৱা মাহৰ ২৭ তাৰিখে শ্ৰীৰংপী আৰু শ্ৰীবসুমতাৰী গহপুৰৰ পৰা আহিছেগৈ তাৰ দুদিন পিছত আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰিয়াও সেইবোৰ অঞ্চল পৰিদৰ্শন কৰি আহিছে। শ্ৰীসিংহ আৰু শ্ৰীচৌহানক পঠোৱা হৈছেপশ্চিম বংগত গৈ আশ্ৰয় লোৱা সকলৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ। ক্ষতিগ্ৰস্ত সকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ বিষয়ে মাননীয় সদস্য কেবাগৰাকীয়েও তেওঁলোকৰ মূল্যবান দিহা পৰামৰ্শ আগবঢ়াইছে। সেই সকলো দিহা-পৰামৰ্শ আমি গভীৰ ভাবে বিবেচনা কৰিছো। অধ্যক্ষ মহোদয়, আপুনি শুনি সুখী হব যে ইতিমধ্যে শিবিৰৰ পৰা বহু সংখ্যক পৰিয়াল নিজ নিজ গাঁওলৈ উভতি গৈছে আৰু বাকী সকলো যাবলৈ সাজু হৈছে।

অধ্যক্ষ মহোদয়, এই ক্ষতিগ্ৰস্ত পৰিয়াল সমূহৰ শাৰিৰীক পুনৰ সংস্থাপনৰ দৰেই সমানে গুৰুত্বপূৰ্ণ বিষয়টো হল তেওঁলোকৰ মানসিক পুনৰ সংস্থাপন। একেদৰেই ৰাজ্যৰ চৌদিশে থকা জাতি বৰ্ণ-ধৰ্ম্ম নিৰ্বিৰ্বশেষে সকলোৰে মনত নিৰাপত্তাৰ ভাগ জগাই তোলাৰ প্ৰশ্নটোও গুৰুত্বপূৰ্ণ। জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে মাননীয় সদস্য সকলৰ গভীৰ উদ্দেগ আমি অনুভৱ কৰিছো। মই

তেখেসকলক আশ্বাস দিব খুজিছো যে এই বিষয়টোৱে আমাৰ চিন্তাত ইতিমধ্যেই অগ্ৰাধিকাৰ লাভ কৰিছে। সেই উদ্দেশ্যেৰে সমগ্ৰ ৰাজ্যত নিৰাপত্তাৰ ব্যৱস্থা সুদৃঢ় কৰি তুলিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। প্ৰাথমিক স্তৰত দক্ষিণ গোৱালপাৰা নুৰাহাটী, মংগলদৈ, বৰপেটা আৰু শিৱসাগৰত ৫ খন নতুন আৰক্ষী জিলা পাতিবলৈ লোৱা হৈছে। অতি সোনকালে তাত একোজনকৈ আৰক্ষী অধীক্ষক নিয়োগ কৰা হব। তিনিচুকীয়া আৰু মৰিগাঁওৰ দৰে আহলীয়া মহকুমাত অতিৰিক্ত অধীক্ষক একোজনকৈ দিয়াৰ কথাটো চিন্তা কৰা হৈছে। অশান্তিয়ে জোকাৰি যোৱা অঞ্চল সমূহত ৭৬ খন অতিৰিক্ত থানা আৰু চকি পাতিবলৈ দিহা কৰা হৈছে আৰু সোনকালেই তাত আৰক্ষী বিষয়া আৰু কৰ্ম্মচাৰী নিয়োগ কৰা হব। আশ্ৰয় শিবিৰ সমূহত ৰাইজৰ নিৰাপত্তাৰ বাবে ৬০টা সশস্ত্ৰ আৰক্ষী শিবিৰ আৰু নিজ গাঁওলৈ উলটি যোৱা সকলৰ নিৰাপত্তাৰ বাবে ১২৯ টা নতুন শিবিৰ পতা হৈছে । আই-জি-পি আৰু ডি-আই-জি সকলেও সঘনে জিলাবোৰলৈ গৈ নিৰাপত্তা ব্যৱস্থাৰ তদাৰকী কৰিব। আনহাতে অসম পুলিচ বেটেলিয়নক কৰ্ম্মক্ষম, নিষ্ঠাবান আৰু কৰ্ত্তব্যপৰায়ন কৰি তুলিবলৈ পুনৰ গঠন আৰু প্ৰশিক্ষনৰো দিহা কৰা হৈছে। এই বিদেশী খেদাৰ নামত যিসকলে হিংসাৰ আশ্ৰয় লৈছে সেই সকলক কঠোৰ ভাবে দমন কৰিবলৈ আৰু উপযুক্ত শাস্তি বিহিবলৈ এই চৰকাৰ দৃঢ়প্ৰতিজ্ঞ।

অধ্যক্ষ মহোদয়, কেবাগৰাকীও মাননীয়, সদস্যই আৰক্ষী বাহিনীৰ কেতবোৰ ত্ৰুটি-বিচ্যুতিৰ উল্লেখ কৰি আক্ষেপ প্ৰকাশ কৰিছে। সেই সকলোবোৰ বিষয়ে যথাযোগ্য পৰ্য্যায়ত আমি বিচাৰ কৰি চাম। কিন্তু আমাৰ প্ৰথম কৰণীয় হৈছে আৰক্ষী বিভাগক সবল আৰু বিশ্বাসযোগ্য কৰি তোলাতো । এই বিভাগত ৰাজ্যৰ বিভিন্ন জনগোষ্ঠিৰ প্ৰতিনিধিত্ব কৰাৰ বাবে ইতিমধ্যেই সিদ্ধান্ত লোৱা হৈছে। আৰক্ষী থানাত নিযুক্তিও হব এনে ধৰণৰ যাতে কোনো গোষ্ঠীয়েই অনাহকতে নিৰাপত্তাৰ অভাব অনুভৱ কৰিব লগা নহয়। এই ক্ষেত্ৰত জনজাতিয় অঞ্চলৰ ৰাইজৰ অনুভূতিকো যথাযোগ্য মৰ্য্যদা দিয়া হব। কামৰূপ, দৰং, লক্ষিমপুৰ আৰু নগাঁও জিলাত চাৰিটা "টাস্ক ফৰ্চ বেটেলিয়ন" নিয়োগৰ কথাও ভবা হৈছে। ইয়াতো ২০০০ লোকৰ নিযুক্তিৰ বিষয়ত জনসংখ্যাৰ সুষ্ঠ প্ৰতিফলন ঘটাবলৈ যত্ন কৰা হব। এই বাহিনীৰ কাম হব সংখ্যালঘুৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তাৰ দিয়া, বাট পথ ধ্বংসৰ অপচেষ্টা ৰোধ কৰা, দোকান-বজাৰ-উপাসনাৰ স্থান আদি সুৰক্ষিত কৰা।

অধ্যক্ষ মহোদয়, এই সকলোবোৰ ব্যৱস্থাই জীৱন আৰু সম্পত্তিৰ বিৰাপত্তাৰ অধিক সুনিশ্চিত কৰিব বুলি আমি বিশ্বাস কৰিছো। হিংসাৰ যিকোনো ঘটনাক কঠোৰ হাতেৰে দমন কৰিবলৈ আমি যত্নৰ ত্ৰুটি নকৰো। কিন্তু সেয়ে যথেষ্ট নহয়। ইয়াৰ লগে লগে আমি চিন্তা কৰিব লাগিব আস্থাৰ, প্ৰত্যয়ৰ এটা পৰিবেশ গঢ়ি তোলাৰ বাবে সৰ্ব্বাত্মক আৰু সৃজনীমূলক কথা আমি চিন্তা কৰিব লাগিব আনকুৱা জুই নুমুৱাৰ কথা—যিকুৱা জুইয়ে অসমৰ জন-জীৱনৰ যাউতিযুগিয়া শান্তি সম্প্ৰ-তিৰ আদৰ্শ পুৰি চাই কৰিবলৈ উদ্যত হৈছে। সেই কাম হয়তো অলপ বেছি কঠিন হব, অলপ বেছি দীঘলীয়া হব। কিন্তু সংকটৰ সময়তহে মানুহৰ আচল পৰীক্ষা হয়। আজি জাতি-ধৰ্ম্ম, বৰ্ণ নিৰ্ব্বি-শেষে অসমৰ জনসাধাৰণ অগ্নি পৰীক্ষাৰ সন্মুখীন হৈছে। সাময়িক উন্মাদনাৰ বশবৰ্ত্তী হৈ আমি জাতি হিচাবে আত্মহত্যা কৰিম নে প্ৰবল ইচ্ছা শক্তিৰে সেই উন্মাদনাক বশীভূত কৰি জাতি হিচাবে আৰু শক্তিশালী হৈ জীয়াই থাকিম ?

অধ্যক্ষ মহোদয়, অতীতত অসমৰ ৰাইজে বহুতো সংকটৰ সময়ত প্ৰশংসনীয় নৈতিক শক্তি আৰু প্ৰজ্ঞাৰ পৰিচয় দি আহিছে। সেই শক্তি আৰু প্ৰজ্ঞাই অসমৰ ৰাইজক এতিয়াও লগ এৰা দিয়া নাই। মোৰ মনত লেখমানো সন্দেহ নাই যে এতিয়াও আমি অসমৰ ৰাইজে এই অগ্নি পৰীক্ষাত সসন্মানে উত্তীৰ্ণ হৈ আগতকৈও শক্তিশালী হৈ উঠিম।

অধ্যক্ষ মহোদয়, উত্তেজনাৰ, দুচিন্তাৰ, উদ্বেগৰ যিকোনো উপলক্ষে নাইকীয়া কৰিবলৈ চৰকাৰৰ ফালৰ পৰা আমি অহৰহ আন্তৰিক প্ৰচেষ্টা চলাই যাম। বিদেশী নাগৰিক সমস্যাৰ কেন্দ্ৰ কৰি হোৱা আন্দোলনৰ পৰাই গোটেই ৰাজ্য জুৰি হিংসাৰ দাবানল জ্বলি উঠিছিল। এই সমস্যাৰ সমাধানৰ ক্ষেত্ৰত এফালে— যেনেকৈ আলোচনা পুনৰ আৰম্ভ হোৱালৈ আমি বাট চাম আনহাতে তেনেকৈয়ে বাস্তৱ ব্যৱস্থাৰে বিদেশী চিনাক্তকৰণৰ কামো আমি অবিলম্বে আৰম্ভ কৰিম। প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰাৰ দৰেই ১৯৭১ চনক আৰম্ভনী বছৰ ৰূপে লৈ এই কাম আমি আৰম্ভ কৰিম। ক্ষতিগ্ৰস্ত লোক সকলৰ পুনৰ সংস্থাপনৰ কাম সম্পূৰ্ণ হলেই এই দিশত আমি কামৰ পাতনি মেলিবলৈ থিৰাং কৰিছো। আনহাতে বিদেশীৰ যিকোনো ভবিষ্যত অনুপ্ৰবেশ বন্ধ কৰিবলৈও আমি দৃঢ় পৰিকৰ। সেইমতে সীমান্তৰ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী আৰু ছিদ্ৰহীন তোলা হব। ইতিমধ্যে সীমান্ত চকীৰ সংখ্যা আগৰ ২১টাৰ পৰা ৭৯ টালৈ বঢ়োৱা হৈছে। সীমান্ত বিষয়াক আই-জি-পিৰ সদৰ কাৰ্য্যালয় গুৱাহাটীৰ পৰা ধুবুৰীলৈ স্থানান্তৰ কৰা হৈছে। কৰিমগঞ্জত ডি-আই-জি (সীমান্ত)ৰ নতুন কাৰ্য্যালয় খোলাৰো ব্যৱস্থা কৰাহৈছে। বিদেশী সমস্যা সমাধানৰ বাবে আমাৰ চৰকাৰৰ আগ্ৰহ আৰু আন্তৰিকতা সীমাহীন, যেতিয়া যেনেকৈ প্ৰয়োজন এই ক্ষেত্ৰত আমাৰ অৰিহনা যোগাবলৈও আমি সকলো সময়তে সম্পূৰ্ণ সাজু হৈ আছো।

অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ উন্নয়ণৰ বিভিন্ন দিশত নানা আলৈ আহুকালৰ বিষয়েও মাননীয় সদস্য সকলে উদ্বেগ প্ৰকাশ কৰিছে। তেওঁলোকে নানা দিহা পৰামৰ্শ আগ বঢ়াইছে। সেই সকলোবোৰ কথা আমি গভীৰ মনোযোগেৰে শুনিছো আৰু এই সকলোখিনি কথা আন্তৰিকতাৰে বিবেচনা কৰা হব। ৰাজ্যপালৰ ভাষণত নতুন অসম গঢ়াৰ নতুন প্ৰচেষ্টা আৰু আগ্ৰহৰ আভাষ আপুনি নিশ্চয় লক্ষ্য নকৰাকৈ থকা নাই। অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি সকলো দিশ তাত সামৰি লবলৈ যত্ন কৰা হৈছে। প্ৰশাসনিক বিকেন্দ্ৰীকৰণৰ উদ্দেশ্যেৰে কেতবোৰ বিশেষ জিলা, মহকুমা গঠনৰ বাবে মাননীয় সদস্য সকলে দিয়া পৰামৰ্শ বিবেচনা কৰা হব। প্ৰতিবেশী ৰাজ্যৰ সতে সম্পৰ্কৰ ক্ষেত্ৰতো তেখেত সকলৰ দিহা পৰামৰ্শৰ লগত আমি একমত আৰু সেই ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱা হব। ভূমি সংস্কাৰ, জল-সিঞ্চন, কৃষি, বাণিজ্য, শিক্ষা-সংস্কৃতি সকলোবোৰ ক্ষেত্ৰত নতুন গতিশীলতা জনাৰ বাবে চৰকাৰে অপৰিসীম আগ্ৰহৰ কথাও নুই কৰিব নোৱাৰে। কেইবাগৰাকীও মাননীয় সদস্যই সংখ্যালঘু আৰু জনজাতিয় সকলৰ বিভিন্ন আলৈ আহুকালৰ বিষয়ে উল্লেখ কৰিছে। সংখ্যালঘু সকলৰ স্বাৰ্থ ৰক্ষাত বিশেষ ভাবে চকু দিবলৈ ৰাজনৈতিক বিভাগৰ অধীনত এটা গোট গঠন কৰি তেওঁলোকৰ অভাব-অভিযোগবোৰ আতৰাবলৈ চিন্তা কৰা হৈছে। নদী অঞ্চলৰ ৰাইজৰ উন্নয়নৰ বাবেও এটা "চাৰ ডেভেলপ-মেন্ট কৰ্পৰেচন" গঠন কৰাৰ দিহা কৰা হৈছে। সেইদৰে জনজাতিয় ৰাইজৰ ক্ষেত্ৰতো বিশেষভাবে চকু দিবলৈ সংশ্লিষ্ট বিভাগ—নিগম আদিৰ ক্ষমতা আৰুকৰ্ম্ম পৰিষৰ বঢ়োৱাৰ বিশেষ চিন্তা কৰা হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ মনত অসমীয়া সমাজৰ বিকাশৰ যি ছিন্তাই অগ্ৰাধিকাৰ পাইছে তাত অসমীয়া জাতি-সংস্কৃতিৰ অবিছেদ্য অংগ স্বৰূপে প্ৰতিটো গোষ্ঠী ভাষা আদিৰ যথাযোগ্য স্থান আছে। এই পথেৰে আমি অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক-সাংস্কৃতিক জীৱনৰ সুষম বিকাশৰ আমি অহৰহ যত্ন কৰি যাম।

. . . .

একেদৰেই জনজাতীয় ৰাইজৰ ক্ষেত্ৰতে বিশেষভাবে চকু দিবলৈ সংশ্লিষ্ট বিভাগ নিগম আদিৰ ক্ষমতা আৰু কৰ্ম্ম পৰিষদ বঢ়োৱাৰ বিশেষ চিন্তা কৰা হৈছে। এইখিনিতে নিশ্চয় উল্লেখ কৰিব লাগিব যে অসমীয়া জাতি কেনেদৰে গঠন হৈছিল, অধ্যক্ষ ডাঙৰীয়া, মই আগয়েও কৈছিলো যে অসমীয়া জাতিৰ সৃষ্টি হৈছে মিলনৰ সৃষ্টি। এই জাতিৰ সৃষ্টি হৈছে অসমত বাস কৰা, ইয়াতে বসবাস কৰি থকা বিভিন্ন জাতি জনজাতিৰ বৰঙণিৰে। ইয়াত বসবাস কৰা বড়ো সকলকে আমি ইয়াৰ আধিম অধিবাসী বুলি কব খোজো। বিভিন্ন সময়ৰ পিচে পিচে এই ৰাজ্যখনলৈ বিভিন্ন ঠাইৰ পৰা জাতিৰ লোক আহি অসমত অসমীয়া জাতিৰ সৃষ্টি হৈছে, অসমীয়া ভাষা সংস্কৃতিৰ সৃষ্টি হৈছে। অসমীয়া জাতি সেই ফালৰ পৰা এটা "এচিমিলেশ্যন অব কালচাৰ"। কিন্তু দুখৰ কথা যে অসমীয়া ভাষা সংস্কৃতিকে লৈ নিজৰ আপোন কৰিব বিচৰা সেই সকল লোকক যি সকলৰ মিলিত সংমিশ্ৰণত অসমীয়া ভাষা সংস্কৃতিয়ে

গঢ় লৈহে সেই সকলোৱেই আজি চিন্তা কৰিবলগীয়া হৈছে সেই অসমীয়া ভাষা লম নে নলম? কেইবাজনো মাননীয় সদস্যৰ বক্তৃতাত এই উদ্বীগ্নতা প্ৰকাশ পাইছে। গোৱালপাৰা জিলাৰ বিধায়কে কোনো কোনোৱে কৈছে আমি অসমত বাস কৰিছিলো অসমীয়া ভাষাক মাতৃ ভাষা হিচাবে গ্ৰহণ কৰি অসমত থাকিম বুলি। কিন্তু আজি বিদেশী বুলি যদি মাৰ খাবলগীয়া হৈছে সেইটো অসমীয়া ভাষা থকা নথকা আমি অসমীয়া ভাষী নহয় সেইটো সন্দেহ ওপজিব লগীয়া বিষয়।

অধ্যক্ষ মহোদয়, মই নিজে উজনিৰ মানুহ। মই ডুমডুমা চাহ বাগানলৈ আজি কিছুদিনৰ আগতে গৈছিলো। তাত এজনক অসমীয়াতে বক্তৃতা দিবলৈ নিদিলে। ইয়াতকৈ দুৰ্ভাগ্যৰ বিষয় কি হব পাৰে? নিৰ্বাচনৰ অসময়ত মৰাণৰ ওচৰলৈ বাগিচালৈ গৈছিলো তাৰ বাগিচাৰ মজদুৰ সকলে কৈছিল যে তেখেতসকলক হেনো অসমীয়া সকলে মাৰিবলৈ আহিছে। তেতিয়াহলে মজদুৰসকল অসমৰ হয়নে নহয় তেওঁলোকেও চিন্তা কৰিবলগীয়া হৈছে। মজদুৰ সকলক অসমীয়া নহয় বুলি কব খোজা মানে মাতৃভাষা আৰু এই দেশৰ মাটি কাৰ হব? অধ্যক্ষ ডাঙৰীয়া অসমত বহু বছৰ আগতে মূলান নামৰ এজন চাহাবে কেৱল শিৱসাগৰতে অসমীয়া ভাষা বিচাৰি পাব বুলি কৰা উক্তিকেই আন্দোলনকাৰী সকলে তেওঁলোকৰ চিন্তাধাৰা আৰু কাৰ্য্যপন্থাৰে সেই অৱস্থালৈ নিয়াৰ ব্যৱস্থা কৰিছে।

অধ্যক্ষ ডাঙৰীয়া, নিৰ্বাচনৰ সম্পৰ্কক নানা ধৰণৰ কথা তুলিছে আৰু এই নিৰ্ব্বাচন ন্যায়সংগত নহয় বুলি কৈছে। এই নিৰ্বাচন ন্যায়সংগত নহয় কাৰণে আমাৰ বিধান সভা আৰু মন্ত্ৰী সভাখনো একে শ্ৰেণীৰ লোকেই স্বীকাৰ কৰিব খোজা নাই। তেখেতসকলে সংবিধানখন অধ্যয়ন কৰিলে এই নিৰ্বাচনৰ "লেজিটিমেচি" বা বৈধতা সম্পৰ্কে বুজি পাব। এইবাৰ ১০৯ টা সমষ্টিত নিৰ্বাচন হৈছে ইয়াৰ ভিতৰত চাৰিটা সমষ্টিত বিনাপ্ৰতিদ্বন্দিতাই নিৰ্বাচিত হৈছে। এশ পাঁচটা সমষ্টিক নিৰ্বাচনত দেখা গৈছে যে সাতত্ৰিশটা সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা শতকৰা সত্তৰৰ ওপৰ হব। দ্বিতীয় সংখ্যা হৈছে শতকৰা সত্তৰ। সোতৰটা সমষ্টিত শতকৰা পঞ্চাশৰ পৰা ষাঠি। চৈধ্যটা সমষ্টিত শতকৰা ত্ৰিশৰ পৰা চল্লিশ, পচিশটা সমষ্টিত শতকৰা ত্ৰিশৰ পৰা ত্ৰিশ উনত্ৰিশটা সমষ্টিত শতকৰা দহভাগ বা তাৰ তলত আৰু সকলোখিনি মিলালে দেখা যায় যে মুঠ ভোট দাতাৰ সংখ্যা অসম ৰাজ্য হিচাবে শতকৰা তেত্ৰিশ। ১৯৬৭ চনৰ গোটেই ভাৰতবৰ্ষৰ নিৰ্ব্বাচনৰ শতকৰা হাৰ হল সাতচল্লিশ। এইটোৱে স্পষ্ট ইংগিত দিয়ে যে শুদ্ধ হৈছে। মই পুনৰ বাৰ কব খোজো যে বিদেশী লোকে ভোট দিলে মই যিটো সমষ্টিৰ পৰা নিৰ্ব্বাচিত হৈ আহিছো সেই সমষ্টিৰ ক্ষেত্ৰতো যদি মোক বিদেশী বুলি কব খোজো উপায় নাই। মই বিধান সভাত এইটো স্পষ্টভাৱে প্ৰতীয়মান নিয়াৰ খোজো যে তেখেতসকলে কোৱা এজনো ভোটাৰ নাই। বিদেশী নাই। বঙ্গালী হিন্দুৰ সংখ্যা দুহাজাৰৰ কম। অন্যান্য সকলৰ দহ হাজাৰৰ কম। মোক যদি সন্দেহ কৰে তেন্তে উপায় নাই। ইয়াত শতকৰা তেইশ জনে ভোট দিছে। মই নামনি অসমৰ কথা কোৱা নাই উজনি অসমত এইটো নহয়। তেখেতসকলৰ ভাষাত যদি কবলগীয়া হয় তেতিয়াহলে কব খোজো আমি সকলোৱে বিদেশী। অধ্যক্ষ ডাঙৰীয়া, মই আৰু সদনক বেচি সময় লব খোজা নাই ৰাজ্যপালৰ ভাষণৰ ওপৰত যোৱা চাৰি দিন ধৰি যি সকল মাননীয় সদস্যাই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা প্ৰস্তাব ক্ষেত্ৰত অংশগ্ৰহণ কৰিছে সেই সকলৰ প্ৰতি মোৰ কৃতজ্ঞতা জনাইছো। তেখেতসকলৰ ৰাজহুৱা জীৱনত তেখেতসকলৰ বিশাল অভিজ্ঞতাই আমাক উপকৃত কৰিব। যোৱা চাৰিদিনে সদনৰ মজিয়াত প্ৰতিধ্বনিত হোৱা তেখেতসকলৰ উদ্বেগ, উৎকণ্ঠা আমি গভীৰভাৱে হৃদয়ংগম কৰিছো। কিন্তু বৰ্ত্তমান জটিল মুহূৰ্ত্তত আমি সদনৰ আমাৰ দলৰে হওক বা আন দলৰে হওক সকলোৰে সহযোগ বিচাৰিছো আৰু নতুন অসম নিৰ্ম্মাণৰ এক সৰ্ব্বাত্মক প্ৰচেষ্টা গঢ়ি তোলাৰহে প্ৰয়োজন অনুভৱ কৰিছো। ৰাজ্যপালৰ ভাষণ সেই প্ৰচেষ্টাৰ আৰম্ভণী হওক।

শ্ৰীপূৰ্ণ বৰো: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ যি ভাষণ, সেই ভাষণৰ ওপৰত অনুষ্ঠিত হোৱা যি বিতৰ্ক সেই বিতৰ্কৰ উত্তৰদান প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত সকলৰ কাৰণে সাহায্য ব্যৱস্থা লোৱা বুলি কৈছে কিন্তু যি হত্যা সংঘটিত হৈছে আৰু লাখে লাখে মানুহ গৃহহাৰা হল সেই সকলৰ পৰিয়ালক পুনৰসংস্থাপন গ্ৰান্ট দিয়াৰ ঘোষণা কৰিছে এইটো কাৰণে ধন্যবাদ জনাইছো। আজি এটা কথা মই কব খুজিছো যে প্ৰাণ দিয়াৰ বাহিৰেও কিছুমান লোকে ঘৰ এৰি আহিবলগীয়া হৈছে। তেখেতসকলৰ ঘৰত অগ্নিসংযোগ হয়তো কৰা নাই কিন্তু ঘৰ-দুৱাৰৰ সা-সম্পদ লুটপাত কৰা হব সেই সকলৰ ক্ষেত্ৰত চৰকাৰে কিবা ক্ষতিপূৰণ দিয়াৰ কথা চিন্তা কৰিছে নে নাই জানিব খুজিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া, আমি এতিয়া তিনিটা পৰ্য্যায়ত এই সকলক ভাগ কৰি লৈ সাহায্য দিয়াৰ কথা চিন্তা কৰিছো। প্ৰথম পৰ্য্যায়ত যি সকলৰ ঘৰ দুৰ্ব্বাৰ পৰিবেছে সম্পূৰ্ণ বিধ্বংস হৈছে সেই সকলৰ নিজৰ নিজৰ ঠাইলৈ নিয়াৰ ব্যৱস্থা কৰিছো। ঘৰ আদি সজাৰ কাৰণে ব্যৱস্থা দিয়া হৈছে। দ্বিতীয় পৰ্য্যায়ত যি সকলৰ ঘৰ জলোৱা নাই কিন্তু সম্পদ আদি নাশ হৈছে সেই সকলৰ কথা ধৰা হৈছে আৰু তৃতীয় পৰ্য্যায়ত ঘৰ জলোৱা নাই সম্পদ নাশ হোৱা নাই কিন্তু ভয় পাইছে আৰু নিজৰ ঠাইৰ পৰা যাবলগীয়া হৈছে সেই সকলোকো ঘূৰাই নিয়াৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীহেমেন দাস: অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ বক্তৃতাত ১৯৭৯ চনৰ পৰা ১৯৮২ চনৰ ডিচেম্বৰ মাহলৈকে নিহতৰ সংখ্যা যিটো দাঙি ধৰা হৈছে সেইটো যিমান দূৰ দেখিছো সংখ্যাটো কম হৈছে। ১৯৮০ চনৰ জুন মাহত ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে সংসদত ঘোষণা কৰিছিল যে ৫১০ জন জুন মাহলৈকে হানি হৈছে আন্দোলনৰ কাৰণে। জুনৰ পৰা ১৯৮২ চনৰ ডিচেম্বৰ মাহলৈকে নিশ্চয় আৰু বেছি মানুহ নিহত হৈছে। গতিকে এই তথ্য ইয়াততেখেতে সঠিক কৰি জনোৱাৰ কাৰণে অনুৰোধ জনাইছো।

হিতেশ্বৰ শইকীয়া, (মুখ্যমন্ত্ৰী): অধ্যক্ষ ডাঙৰীয়া, পাপ পাপেই। ডাঙৰ হওক সৰু হওক আমি তাৰ সংখ্যাৰ ওপৰত গুৰুত্ব নিদিও। পাপৰ ওপৰতহে গুৰুত্ব দিছো।

M. SPEAKER : Now How'ble Member Shri A. M. Mazumder

Shri ABDUL MAHIB MAZUMDER : Mr. Speaker, In reply to the motion, I would like to say a few words. I again thank the Governor for giving the speech because the Governor, as yau have seen from the delibarations of the House should get the credit of having maintained a healthy relation here. We express our heartfelt gratitude for the maintonence of this he lthy relation. The members of the opposition who have refused to join their voice on the vote of thanks should realise that they are are in this August House because the Governor could hold the elections, however their speech nevertheless has an undercurrent of apprecatiou of the Governor's commendable job. Sir, the members of this Hose know that no amount of relief and rehabilitation measures can assuage the miseries of thousands of parents who have lost their children and vice virsa. Assam wat turned into a veritable slavghter house. There is a general anxiety expressed by everybody and we must find out who are the people responsible for this because we have been the masses who have died are of all communities Assamese have died, Bengalis have died, Muslims have died, a large number of tea garden labour have died and we must find out who are the persons responsible for this heinous criem. I have got a feeling, Sir, that is a conspiracy and this conspiracy is to destroy Assam once for all Assam is the only place in the whole of the country which is a Sangrila where there was no riot, no riot even in the year 194 . There is conspiraey, there is show poisioning or something like this as result Asssam is going to be destroyed. The people of Assam consist of verious ethnic. Enguistic groups. We have seen every group of people ossimilated in Assam and they readily adopted Assamese culture. We have in the district Cachar some 300 schools of Assamese medium. We have seen hundreds of Tea garden labourers who have taken Assamese as their mother tongue. They have given up their own language but eve then there are people who want to uproot and destroy them Where are those people who are responsible for this carnage and masstore? Where are they now hiding, we are to final them out, otherwise we cannot save Assam we cannot save

this country. We have seem chaos in this House and this chaos echoes impending dismemberment and destruction of Assam We have heard some members going to the extent of claiming separate territories, dividing Assam into several parts. One of my friends Mr. Upen Sanathan said that they will claim a separate union territory in Upper Assam if the savage killings continued any more If that happens will there be a place called Assam in future ? I suggest getting on approval from the Governor, we all should sit together, the tribals, the minorities, the Assamese, the Tea Garden labourers and everybody, we should sit around and suggestion should be made from different section of the people and try to find out a solution. We are the people to live in Assam our children will live in Assam and we must find out a sulution to restore normalcy and to find out a solution to the problem which has affected us since last 3/4 years. Everybody is suffering, there is nobody we can say he is not suffering There are some political parties and people who want to create troubles in Assam. While the Prime Minister visited the disturbed areas and gave healing touch to the victims of all sorts of orgies, the opposition parties and some elements misinterpreted the peace move and tried to take political advantage of the visit. Assam was a very peaceful place. The people of the State are verymuch peace loving, they go by their words. Some newspapers, day in and day out published and fed the people with distorted facts and alarming news. Wrong statistics were given and a fear psychosis was generated among them that they were being swamped by the so called foreign nationals. I am reasonably sure that some papers in Assam indulged in yellow journalism in the most unabashed manner. None will perhaps disagree with me that the performance of these papers has throughout the agitation never squared with responsible journalism. Virtually for a considerable span of time the papers carried on the agitation. These papers openly eulogised Hitlers Nazism and ffasist policies but they ignored Mahatma Gandhi, Rishi Aurobinda, Abul Kalam Azad, Acharya Bhave and Nehru. May I ask these papers that since the beginning of the movement, what is your contribution to the solution of the instead of trying for a salution problem you are publishing the statement of AASU and GanaSangram Parished. It is not your duty to publish the contradictory statements of AASU and AAMSU. What is your view point ? Don't you want to save Assam ? Don't you want to save the Assamese culture, Assamese heritage and Assam's geography ? tNow I want to suggest humbly that the provisions of the Assam (Special Power) Press Act, should be tightened since they have failed to keep their assuranee to the Supreme Court. They have forgotten the undertaking they gave to the Supreme Court that they will not publish any writing which will endanger the peace of the State, amity among the various communities of the State. After they have given this undertaking to the Supreme Court they have published the messages of Mussolini and Hitlar.

With these few words Sir, I would like to thank the Governor for having delivered the addrees. He has given the outline the plan and programme of the Government which has given an opportunity to the hon'ble members of the House, both Treasury benches and Opposition, to express their feelings. In view of this I would request them to withdraw the amendments to the motion of thanks brought by them to the Governor's Address.

With these few words Sir, I ould request that the motion of thanks moved by me may be adopted.

Mr. SPEAKER—There are three amendments to the motion. One is from Shri Hemen Das, one is from Shri Mathura Deka and the mover of the third amendment is not present. Whether the hon'ble members—the mover of the amendments desire to press?

Shri HEMEN DAS—I want to press.

Mr. SPEAKER—Has the hon'ble member leave of the House to withdraw the amendment No. 2 which has been moved by Shri Mathura Deka?

(after a pause)

Leave is granted. The amendment stands withdrawn.

Now, as the mover of the third amendment Mr. Basumatary is absent this is considered withdrawn.

Now I put the amendment No. 1

এই বিধান সভাৰ মাননীয় সদস্য আব্দুল মুহিব মজুমদাৰৰ দ্বাৰা যি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰস্তাৱৰ শেষত সংশোধনী হিচাবে তলৰ কথাখিনি সংযোগ কৰা হওক ঃ

কিন্তু দুখৰে সৈতে জনাব লগীয়া হৈছে যে ৰাজ্যপালৰ ভাষণত নিম্নোলিখিত সমস্যাসমূহ সমাধানৰ কি ব্যৱস্থা লৈছে সেই বিষয়ে উল্লেখ কৰাত ব্যৰ্থ হৈছে যে—

১। মূল্য বৃদ্ধি ৰোধ আৰু শক্তিশালী ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জড়িয়তে অত্যাৱশ্যকীয় সামগ্ৰী ন্যায্য মূল্যত যোগান ধৰা, ধান সংগ্ৰহ আৰু পাট, ধান, কুঁহিয়াৰৰ ন্যায্য মূল্য প্ৰদান।

২। শ্ৰমিক সকলৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰা, নাগৰিক স্বাধীনতা পুনঃ প্ৰতিষ্ঠা কৰা। শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলনৰ বিৰুদ্ধে পুলিচ ব্যৱহাৰ নিষিদ্ধ কৰা আৰু এন,এচ,এ আৰু ই,এচ, এম,এ, কাৰ্য্যকৰী কৰা।

৩। ভূমি সংস্কাৰ সাধন কৰা, ভূমিহীন আৰু দুখীয়া কৃষকৰ মাজত ভূমি বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু তাৰ বাবে ৰাজহুৱা কমিটি গঠণ কৰা, অসম ভূমি আৰু ৰাজহ বন্দোৱস্তী আইন সংশোধন, উচ্ছেদ সংক্ৰান্তত নীতি ঘোষণা আৰু নীতি ঘোষণা নকৰালৈকে সকলো উচ্ছেদ ৰহিত কৰা।

৪। গাঁও আৰু নগৰ অঞ্চলৰ গৃহহীন লোকক ঘৰ সাজিবৰ কাৰণে মাটি বণ্টন আৰু ঋণ মাফ, দুখীয়া ৰাইজৰ কাৰণে গৃহ নিৰ্মাণৰ আঁচনি গ্ৰহণ।

৫। জলসিঞ্চনৰ কাৰণে ব্যাপক আঁচনি গ্ৰহণ আৰু খোৱা পানী যোগান, স্বাস্থ্য সেৱাৰ প্ৰসাৰ আৰু আলিপদূলি আৰু গ্ৰাম্য বৈদ্যুতিকৰণৰ ব্যাপক আঁচনি কাৰ্য্যকৰীকৰণ, ফুদ ফৰ ওৱাৰ্ক আঁচনিৰ কাৰ্য্যকৰী কৰণ।

৬। জনজাতি তপশীল ভুক্ত শ্ৰেণী, অন্যান্য পিচপৰা সম্প্ৰদায়, চাহবনুৱা আৰু সংখ্যালঘুসকলৰ অধিকাৰ ৰক্ষা কৰা আৰু উন্নত আন আন সকলোৰ স্তৰলৈ উন্নীত কৰাৰ সুযোগ—সুবিধা প্ৰদান।

৭। বৰ্ণ আৰু ধৰ্ম্মীয় সংখ্যালঘু সম্প্ৰদায় সমূহৰ ৰক্ষণা-বেক্ষণ আৰু তেখেত সকলৰ গণতান্ত্ৰিক অধিকাৰ ৰক্ষা আৰু নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰা।

৮। অসমৰ সকলো গাঁৱতে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাকৰণ আৰু কিতাপ আৰু দুপৰীয়াৰ আহাৰ যোগান, নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে ব্যাপক অভিযান।

৯। প্ৰাকৃতিক সম্পদৰ ওপৰত ভিত্তি কৰি অসমক দ্ৰুত উদ্যোগীকৰণ আৰু অধিক কৰ্মসংস্থানৰ ব্যৱস্থা,

১০। অধিক কৰ্মসংস্থানৰ ব্যৱস্থা গ্ৰহণ, কৰ্মহীন মানুহৰ কাৰণে কৰ্মসংস্থান আৰু সংস্থান কৰিব নোৱাৰালৈকে কৰ্মহীন ভাট্টা প্ৰদান,

১১। বাইজৰ সহযোগিতাত অসমৰ বিদেশী নাগৰিকৰ স্থায়ী সমাধান, অনুপ্ৰবেশ বন্ধ কৰাৰ যথোচিত ব্যৱস্থা গ্ৰহণ আৰু সীমান্ত চকীৰ সংখ্যা বৃদ্ধি,

১২। অসমত বাস কৰা জনসাধাৰণৰ বিভিন্ন জনগোষ্ঠীৰ মাজত সৌহাদ্য সৃষ্টি আৰু অধিকতৰ বুজা-বুজিৰ সৃষ্টি, অসমৰ সাংস্কৃতিক বৈশিষ্ট সংহতি আৰু ঐতিহ্য ৰক্ষা কৰা আৰু সকলোবোৰ বিভেদকামী সাম্প্ৰদায়িক আৰু বিচ্ছিন্নতাবাদী শক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা,

১৩। ৰাজ্যলৈ অধিকতৰ ক্ষমতা আৰু ভাৰতৰ আন ৰাজ্যৰ সমানে অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ কাৰণে ৰাজ্য আৰু কেন্দ্ৰৰ সম্পৰ্কৰ পুনৰ বিন্যাশ কৰা।

(after a pause)

The amendment is lost.

Now I put the motion of thanks that the members of the Assembly assembled in this House are grateful to the Governor for the address he has been pleased to deliver to the House today the 21st March, 1983.

(after a pause)

The motion is adopted.

(Treasury benches cheered by thumping the table)

ADJOURNMENT

The House stands adjourned till 10 A. M. on Saturday, the 26th March, 1983.

Dated Dispur,
the 25th March, 1983.

P. D. BARUA,
Secretary
Assam Legislative Assembly.

AGP. (L.A.) No. 665/83—140)—2-1-85.